## ভিতৰৰ পৃষ্ঠাত

বিশ্ব পৰ্যটনৰ মানচিত্ৰত... পৃষ্ঠা ৪

নতুন প্ৰজন্ম-অসমীয়া... পৃষ্ঠা ৫

'বন্দে মাতৰম্'... পৃষ্ঠা ৭

জীৱন এক শিল্প পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:14 ■ Issue: 3 ■ Guwahati ■ Wednesday ■ 19 August, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ৩ ■ গুৱাহাটী ■ বুধবাৰ ■ ১ ভাদ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


### ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীক কৃষিকৰ্মত উৎসাহ যোগাবলৈ চৰকাৰে প্ৰৱৰ্তন কৰিব বঁটা

## চলিত বৰ্ষত পদোন্নতি, '২৭ত নতুন নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** চলিত বৰ্ষত নতুন নিযুক্তি নহয় অসমত। ইয়াৰ বিপৰীতে ৰাজ্যৰ বিভিন্ন বিভাগত দীৰ্ঘদিন বন্ধ হৈ থকা পদোন্নতি প্ৰক্ৰিয়াহে পুনৰ আৰম্ভ কৰিব চৰকাৰে। এই পদোন্নতিৰ জৰিয়তে সৃষ্টি হ'ব লগা খালী পদত ২০২৭ চনত নতুন নিযুক্তিৰ ব্যৱস্থা কৰিব ৰাজ্য চৰকাৰে। এই কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। যোৱা সোমবাৰে লোকসেৱা ভৱনত অনুষ্ঠিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ পৰামৰ্শৰ ভিত্তিত ৰাজ্যত মাটি ক্ৰয়-বিক্ৰয় কেৱল মাত্ৰ খিলঞ্জীয়া লোকেহে যাতে কৰিব পাৰে সেই ক্ষেত্ৰতো চৰকাৰ কঠোৰ হ'ব বুলি কয়। অহা ১৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিনত চৰকাৰে অসমৰ যুৱ সমাজৰ কল্যাণৰ বাবে নতুনকৈ যুৱ সৱলীকৰণ আৰু কল্যাণ বিভাগ আৰম্ভ কৰিব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক কৃষিকৰ্মত উৎসাহিত কৰাৰ উদ্দেশ্যে ■ ১১ পৃষ্ঠাত

### ভাৰতীয় জনতা পাৰ্টিত ব্যাপক সালসলনি

## অসমৰ মৃগাংক বৰ্মনক বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদকৰ দায়িত্ব



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলৰ নতুন ৰাষ্ট্ৰীয় বিষয়ববীয়া সমিতি ঘোষণা কৰিছে। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সমূহ নৱনিযুক্ত ৰাষ্ট্ৰীয় বিষয়ববীয়ালৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। নতুন ৰাষ্ট্ৰীয় সমিতিখনত ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে বসুন্ধৰা ৰাজে সিন্ধিয়া, তীৰথ সিং ৰাৱত, ৰাম মাধৱ, বৈজয়ন্ত জয় পাণ্ডা, ডি. পুৰন্দেশ্বৰী, ৰেখা বৰ্মা, বৰ্ষাবেন নৰেন্দ্ৰভাই যোশী, ডাঃ ভাৰতী প্ৰবীণ পাৱাৰ, সৰ্দাৰ মনপ্ৰীত সিং বাদল, লাল সিং আৰ্য, প্ৰফেছৰ এম. নাগৰাজ, প্ৰফেছৰ তাৰিক মনছুৰ আৰু ডাঃ মধুচন্দ্ৰ কৰক দায়িত্ব অৰ্পণ কৰা হৈছে। ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক হিচাপে বি. এল. সন্তোষ আৰু ৰাষ্ট্ৰীয় সহ-সাংগঠনিক সাধাৰণ ■ ১১ পৃষ্ঠাত

### শিৱসাগৰ-চৰাইদেউ-যোৰহাট-গোলাঘাট জিলা

## নৱেম্বৰৰ ভিতৰত ক্ষতিগ্ৰস্তক আৰ্থিক সাহাৰ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ৰাজ্যৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানপীড়িত পৰিয়ালসমূহক আৰ্থিক সকাহ প্ৰদানৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে চাৰিওখন জিলাৰ ৩১,৯৫১ টা পৰিয়াললৈ ১৫ হাজাৰ টকাকৈ সৰ্বমুঠ ৪৭.৯৩ কোটি টকাৰ অন্তৰ্বৰ্তীকালীন বান সাহায্য পোনপটীয়া লাভালাভহস্তান্তৰৰ জৰিয়তে মুকলি কৰে। লোকসেৱা ভৱনৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° শৰ্মাই মুকলি কৰা এই ধনৰাশিৰ জৰিয়তে শিৱসাগৰ জিলাৰ ২২,৬৫৭ টা, চৰাইদেউ জিলাৰ ৬,০২৮ টা, যোৰহাট জিলাৰ ২,৩২৪ টা আৰু গোলাঘাটৰ ৯৪২ টা ■ ১১ পৃষ্ঠাত

### ৰাজ্যত নতুনকৈ গঠন কৰা হ'ব ৮ খন সমজিলা

## ৫ বছৰত আন্তঃগাঁথনি উন্নয়নত ব্যয় হ'ব ১.৫ লাখ কোটি টকা ঃ ড° শৰ্মা





**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অসম চৰকাৰে আয়োজন কৰা দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৰাজ্যবাসীক উদ্দেশ্যি প্ৰদান কৰা ভাষণৰ আৰম্ভণিতে মুখ্য মন্ত্ৰী ড° শৰ্মাই সকলোকে স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে আৰু শেহতীয়া প্ৰলয়ংকৰী বানত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে এই দুৰ্যোগত সৰ্বস্ব হেৰুওৱাসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে। এঘণ্টাৰো অধিক সময়জোৰা স্বাধীনতা দিৱসৰ ভাষণত তেওঁ প্ৰলয়ংকৰী বানৰ কবলত পৰা শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ ৰাইজৰ সহায়ৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰা আৰু পৰিকল্পনা কৰা পদক্ষেপৰ বিষয়ে সদৰী কৰে। মুখ্য মন্ত্ৰী ড° শৰ্মাই অসমত বিগত ৫ বছৰত হোৱা প্ৰগতিৰ চমু খতিয়ান দাঙি ধৰি উন্নয়নৰ 'অসম আৰ্হি'ৰ প্ৰসংগ উল্লেখ কৰে। তেওঁ কয় যে অসমে এতিয়া আনৰ পৰা শিকাই নহয়, বৰঞ্চ আনকো পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ অসমত আৰম্ভ হৈছে বিকাশৰ এটা নতুন ধাৰা। যোৱা মে'ত দায়িত্বভাৰ লোৱাৰ পিছত বিগত ৩ মাহত জনকল্যাণ ■ দুই পৃষ্ঠাত

### ৰঙিয়াত সদৌ অসম কবি মঞ্চ-সন্দীপ কলিতা ন্যাসৰ বিশেষ অনুষ্ঠান

## ৰাজ্যৰ ভিন্ন ক্ষেত্ৰৰ বিশগৰাকী বিশিষ্ট ব্যক্তিলৈ সন্মান

### একতা-পাৰস্পৰিক বুজাবুজিয়ে আমাক শক্তিশালী কৰে ঃ ভুৱনেশ্বৰ কলিতা




**অসম ভূমি সেৱা, ডিমু ঃ** সদৌ অসম কবি মঞ্চ আৰু প্ৰয়াত সন্দীপ কলিতা ন্যাসৰ উদ্যোগত যোৱা দেওবাৰে ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত বৰ্ণিল অনুষ্ঠানত অসমীয়া প্ৰতিদিনৰ উপ-সম্পাদক অঞ্জন কুমাৰ শৰ্মাক সংবাদ সৌৰভ বঁটা আৰু সহযোগী সম্পাদক তপন চন্দ্ৰ কলিতাক কবি মঞ্চৰ সৰ্বোচ্চ সন্মান প্ৰজ্ঞা ৰত্ন বঁটা-২০২৬ প্ৰদান কৰাৰ লগতে সামাজিক, সাংবাদিক বৌদ্ধিক আৰু সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত বিশেষ বুৎপত্তি লাভ কৰা ৰাজ্যখনৰ ২০ গৰাকী বিশিষ্ট ব্যক্তিক বিভিন্ন বঁটা প্ৰদান কৰা হয়। ইয়াৰোপৰি ৰঙিয়ালৈ গৌৰৱ কঢ়িয়াই অনা পাঁচগৰাকী কৃতী শিক্ষাৰ্থীক উক্ত অনুষ্ঠানতে সন্দীপ কলিতা সোঁৱৰণী মেধা বঁটা প্ৰদান কৰা হয়। পুৱা বিশিষ্ট সমাজ সেৱিকা মঞ্জু কলিতাই বন্তি প্ৰজ্বলন ■ দুই পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ৰাজ্যৰ ভিন্ন ক্ষেত্ৰৰ

কৰি আৰম্ভ কৰা অনুষ্ঠানত ৰঙিয়া পৌৰসভাৰ কাৰ্যবাহী অভিযন্তা বসন্ত কুমাৰ ডেকা, বিশিষ্ট সমাজসেৱক সুনীল জৈন, কৈলাস জৈন আৰু দেৱাশীষ সাহাই অংশগ্ৰহণ কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, প্ৰয়াত সন্দীপ কলিতা, কৌশিক কাশ্যপ ডেকা আৰু হৰজিৎ দাসৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ক্ৰমে বিশিষ্ট লেখিকা ৰুণুমী দত্ত ডেকা, কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতা আৰু কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতাই। ৰঙিয়া মহাবিদ্যালয় শিক্ষাৰ্থীসকলৰ সমবেত সংগীতেৰে আৰম্ভ কৰা বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰি কটন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হীৰেণ ডেকাই নৈতিকতাহীন বিদ্যাই মানুহক অহংকাৰী কৰে বুলি মন্তব্য কৰি সুস্থ-সবল সমাজ গঠন কৰিবলৈ শিক্ষাৰ্থীসকলক বিনয়ী হোৱা বিদ্যা গ্ৰহণৰ আহ্বান জনায়। সদৌ অসম কবি মঞ্চ আৰু প্ৰয়াত সন্দীপ কলিতা ন্যাসৰ পৃষ্ঠপোষক তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ভুবনেশ্বৰ কলিতাই সদৌ অসম কবি মঞ্চৰ মুখপত্ৰ 'প্ৰজ্ঞাৰ সন্ধানত'ৰ একবিংশ সংখ্যা উন্মোচন কৰি একতা আৰু পাৰস্পৰিক বুজাবুজিয়ে সমাজ শক্তিশালী কৰে বুলি কয়। সদৌ অসম কবি মঞ্চৰ সভাপতি জাভেদ জামানে আদৰণি ভাষণ দিয়া আৰু সম্পাদক জিতু কাঞ্চনে আঁতধৰা অনুষ্ঠানত মাহেকীয়া সংস্কৃতিৰ বাতৰি 'দাপোণ'ৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি কবিতাক সাহিত্য সৃষ্টিৰ আধাৰ বুলি অভিহিত কৰি সদৌ অসম কবি মঞ্চই ৰাজ্যৰ ভিন্ন প্ৰান্তৰ প্ৰতিভাৱান কবিসকলক একত্ৰিত কৰাৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত বুৎপত্তি লাভ কৰা ব্যক্তিসকলক বঁটা প্ৰদান কৰি সামাজিক দায়বদ্ধতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে বুলি কয়। বিশিষ্ট কলা সমালোচক অংকুৰ ডেকা, অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন চন্দ্ৰ কলিতা আৰু শিক্ষক মোহন মাধৱ বৰ্মনৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে। আৰক্ষী সেৱাৰ জৰিয়তে অসমীয়া সমাজ জীৱনলৈ আগবঢ়োৱা ত্যাগ আৰু সেৱাৰ বাবে ৰঙিয়া সমজিলাৰ আৰক্ষী অধীক্ষক বিশ্বজিত ডেকাৰ লগতে দিছপুৰ আৰক্ষী থানাৰ অতিৰিক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণকান্ত লস্কৰ আৰু বিশিষ্ট সমাজসেৱক তথা সদৌ অসম গৰীয়া মৰীয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি চহীদ আলী আহমেদক অনুষ্ঠানত ২০২৬ বৰ্ষৰ সেৱাৰত্ন বঁটা প্ৰদান কৰা হয়। ইয়াৰ উপৰি চিকিৎসা সেৱাৰ জৰিয়তে অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা নিৰৱচ্ছিন্ন সেৱাৰ বাবে বিশিষ্ট চিকিৎসক ডাঃ হিতেন্দ্ৰ কলিতা আৰু ডাঃ নৰ কুমাৰ ডেকালৈ আগবঢ়োৱা হয় ২০২৬ বৰ্ষৰ স্বাস্থ্য সেৱাৰত্ন বঁটা। আন্তঃৰাষ্ট্ৰীয় মেণ্ডোলিন বাদল কুন্তল চক্ৰৱৰ্তীলৈ আগবঢ়োৱা হয় এই বৰ্ষৰ কলাৰত্ন বঁটা। অসমৰ সংবাদ জগতলৈ নিষ্ঠা ত্যাগ আৰু সততাৰে সেৱা আগবঢ়াই অহা অসমীয়া প্ৰতিদিনৰ সহকাৰী সম্পাদক তপন চন্দ্ৰ কলিতাক মঞ্চৰ সৰ্বোচ্চ সন্মান প্ৰজ্ঞাৰত্ন বঁটা আৰু অসম বাৰ্তাজীৱি সংঘৰ সাধাৰণ সম্পাদক তথা অসমীয়া প্ৰতিদিনৰ উপ-সম্পাদক অঞ্জন কুমাৰ শৰ্মাক ২০২৬ বৰ্ষৰ সংবাদ বৈভৱ বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতে Dy365 ৰঙিয়াৰ সাংবাদিক হানিফ আলী আৰু Dy365 গুৱাহাটীৰ সাংবাদিক জয়ন্ত শৰ্মাক সংবাদৰত্ন বঁটা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক প্ৰশান্ত শৰ্মাক শিক্ষাৰত্ন বঁটা, বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ ব্ৰজেন্দ্ৰ দেৱ মোহন শৰ্মা, বিশিষ্ট লেখিকা অঞ্জলী বৰদলৈ আৰু দিপলু শৰ্মাক প্ৰজ্ঞাশ্ৰী বঁটা, যুৱ আবৃত্তিকাৰ যৱনিকা বৰুৱা আৰু লতাশ্ৰী দত্তক কাব্যকণ্ঠ বঁটা, লেখিকা দীপামণি মহন্ত, গীতা পগাগ দলে, কল্পিতা দত্ত, বুলবুল শৰ্মা আৰু জলি গোস্বামী সভাপণ্ডিতক প্ৰজ্ঞাৰ সাধনা বঁটা, ৰঙিয়াৰ যুৱ সমাজকৰ্মী চুভিত কুমাৰ কলিতা, ৰুহুল আলী আহমেদ ধ্ৰুৱজ্যোতি কলিতা আৰু ক্ৰীড়া উদ্যোগী নাৰায়ন দত্তক যুৱ উদ্যমী বঁটা প্ৰদান কৰা হয়। তদুপৰি এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰঙিয়াৰ ভিতৰত প্ৰথম তিনিটা স্থান লাভ কৰা পাৰ্থপ্ৰতীম লহকৰ, ধিমান কলিতা, গীতাৰ্থ দাস আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ৰঙিয়াৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা কলা শাখাৰ অৰ্জুন ৰাজ বড়ো আৰু বাণিজ্য শাখাৰ কৃযুব নন্দীক ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ভুবনেশ্বৰ কলিতাৰ পৃষ্ঠপোষকতাত ১০ হাজাৰ নগদ ধনসহ গামোচা শৰাই স্মাৰক আৰু মানপত্ৰৰে সন্দীপ কলিতা মেধা বঁটা প্ৰদান হয়। ৰঙিয়া মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ গীত-নৃত্য আৰু কবিতা পাঠে জীপাল কৰা অনুষ্ঠানত সদৌ অসম কবি মঞ্চৰ কাৰ্যকৰী সভাপতি সৰোজিনী বসুমতাৰী, হীৰামণি লাহন, উপ-সভাপতি ভাস্কৰ কলিতা, যুটীয়া সম্পাদক চাকিল আহমেদ, সহকাৰী সম্পাদক কুলদীপ গৌতম শৰ্মা, ফাৰুক আলী আহমেদসহ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলৰ লগতে শতাধিক কবি উপস্থিত থাকে।

# ৫ বছৰত আন্তঃগাঁথনি উন্নয়নত ব্যয় হ'ব ১.৫

আৰু অসমৰ সামগ্ৰিক বিকাশৰ বাবে চৰকাৰখনে হাতত লোৱা পদক্ষেপসমূহৰ বিষয়ে সদৰী কৰি মুখ্য মন্ত্ৰীয়ে অনাগত ৫ বছৰত অসমৰ বিকাশৰ বাবে প্ৰস্তুত কৰা ৰূপৰেখাৰো আভাস দিয়ে। স্বাধীনতা দিৱসৰ পৱিত্ৰ পতাকাৰ তলত থিয় হৈ মুখ্য মন্ত্ৰী ডঃ শৰ্মাই বিকশিত অসমৰ বাবে কেইবাটাও সংকল্পৰ কথা ঘোষণা কৰে। তেওঁ কয় যে অহা ৫ বছৰত 'বিকশিত অসম-২০৪৭' শিৰোনামেৰে ৫০ হাজাৰ কোটি টকা অসমৰ বিভিন্ন মূলধনী কামত বিনিয়োগৰ বাবে চৰকাৰে সংকল্প গ্ৰহণ কৰিছে। পথ যোগাযোগৰ উন্নতি, শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি নিৰ্মাণ, নগৰ অঞ্চলৰ বিকাশ, গ্ৰাম্য অঞ্চলৰ উন্নয়ন আদি কামৰ বাবে ৰাজ্য চৰকাৰৰ নিজা পুঁজিৰ পৰা এই ধন ব্যয় কৰা হ'ব। এই সময়ছোৱাতে ভাৰত চৰকাৰৰ পৰাও ১ লাখ কোটি টকাৰ পুঁজি মূলধনী ব্যয়ৰ বাবে লাভ কৰিব পৰা যায় তাৰ বাবে চৰকাৰে সংকল্প লৈছে। অৰ্থাৎ ২০২৬ চনৰ পৰা ২০৩১ চনলৈ অসমৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ডেৰ লাখ কোটি টকা ব্যয় কৰা হ'ব। অসমৰ ইতিহাসত স্বৰ্গদেউ চাওলুং চুকাফাই এক অদ্বিতীয় আৰু চিৰস্থায়ী স্থান অধিকাৰ কৰি আছিছে বুলি মন্তব্য কৰি মুখ্য মন্ত্ৰী ডঃ শৰ্মাই কয় যে ২০২৮ চনত ব্ৰহ্মপুত্ৰ উপত্যকালৈ চুকাফাৰ আগমনৰ ৮০০ বছৰ পূৰ্ণ হ'ব। ৰাজ্য চৰকাৰে এই ঐতিহাসিক ক্ষণটো এক বিশাল আৰু অভূতপূৰ্ব আয়োজনেৰে সগৌৰৱেৰে উদ্‌যাপনৰ পৰিকল্পনা কৰিছে। এই আয়োজন সন্দৰ্ভত চৰকাৰক পৰামৰ্শ দিবলৈ তেওঁ অসমবাসী ৰাইজক আহ্বান জনায়। ২০২৮ বৰ্ষটো অসমৰ বাবে আন এক কাৰণত ঐতিহাসিক আৰু গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে এই বছৰটোতে ১৮২৮ চনত গমধৰ কোঁৱৰৰ নেতৃত্বত ব্ৰিটিছৰ বিৰুদ্ধে হোৱা বিদ্ৰোহৰ দুশ বছৰ সম্পূৰ্ণ হ'ব। অসমীয়াৰ স্বাভিমান ৰক্ষাৰ বাবে হোৱা যুঁজখনৰ দুশ বছৰ পূৰ্তিকো বিশেষভাৱে উদ্‌যাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে মুখ্য মন্ত্ৰীয়ে ঘোষণা কৰে। মুখ্য মন্ত্ৰীয়ে ৰাজ্যত নতুনকৈ ৮ খন নতুন সমজিলা গঠনৰ কথাও ঘোষণা কৰে। কমলপুৰ, বঢ়মপুৰ, ৰঙানদী, চিচিবৰগাঁও, চাবুৱা-লাহোৱাল, খুমটাই, কাটিগড়া আৰু বৰখলাত এই সমজিলাকেইখন গঠন কৰা হ'ব। ৰাজ্যত এই বছৰ খেল মহাৰণৰ তৃতীয় সংস্কৰণ অনুষ্ঠিত কৰা হ'ব বুলি সদৰী কৰি তেওঁ কয় যে ৰাজ্যৰ প্ৰতিভাৱান খেলুৱৈসকলক বিচাৰি উলিওৱাৰ বাবে দেশৰ বহুকেইটা ক্ৰীড়া সংস্থাৰ সৈতে যোগাযোগ কৰা হৈছে। খেল মহাৰণৰ জৰিয়তে চিনাক্ত কৰা প্ৰতিভাশালী খেলুৱৈসকলক দেশৰ বিভিন্ন একাডেমীলৈ প্ৰেৰণ কৰাৰ বাবে চৰকাৰে প্ৰচেষ্টা হাতত ল'ব। জন্মৰ পৰা ১৮ বছৰ বয়সৰ শিশুসকলৰ মাজত ৫০ বিধতকৈও অধিক জটিল ৰোগ চিনাক্ত কৰি বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে চৰকাৰে লোৱা প্ৰচেষ্টা অধিক শক্তিশালী কৰা হ'ব বুলি মুখ্য মন্ত্ৰীয়ে ঘোষণা কৰে। বাল্য বিবাহ ৰোধৰ বাবে অসমে লোৱা সংকল্প সমগ্ৰ দেশৰ বাবে আদৰ্শ হৈ পৰা বুলি মন্তব্য কৰি ডঃ শৰ্মাই কয় যে অহা ১ নৱেম্বৰৰ পৰা এমাহজুৰি বাল্য বিবাহৰ বিৰুদ্ধে এক আন এক আপোচহীন সংগ্ৰামত লিপ্ত হ'বলৈ অসম আৰক্ষীক নিৰ্দেশ দিয়া হৈছে। ৰাজ্যখনে আন এক সামাজিক ব্যাধিৰ সন্মুখীন হোৱা বুলি মন্তব্য কৰি মুখ্য মন্ত্ৰীয়ে কয় যে বহুবিবাহত জড়িত কোনো চৰকাৰী কৰ্মচাৰীয়ে যদি নিজৰ প্ৰথমগৰাকী পত্নীক পৰিত্যাগ কৰে, তেন্তে সেইগৰাকী পৰিত্যক্তা পূৰ্ব পত্নীয়ে আৰ্থিক নিৰাপত্তাৰ স্বাৰ্থত স্বামীৰ দৰমহাৰ ২০ শতাংশ ধন লাভ কৰাটো সুনিশ্চিত কৰা হ'ব। বেচৰকাৰী খণ্ডত কাম কৰা কৰ্মচাৰীৰ ক্ষেত্ৰতো এই নিয়ম প্ৰয়োগ কৰাৰ বাবে এখন আইন প্ৰণয়ন কৰিবলৈ চৰকাৰে পদক্ষেপ হাতত লৈছে। অসম সচিবালয়ত ১ লাখ ফাইল আৰু আবেদন অমীমাংসিত হৈ থকা বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে সঞ্চালকালয় আৰু জিলা আয়ুক্ত কাৰ্যালয়ক ধৰিলে ৰাজ্যত নিষ্পত্তি নোহোৱাকৈ পৰি থকা আবেদন বা ফাইলৰ সংখ্যা ৫ লাখতকৈও অধিক হ'ব। তেওঁ কয় যে ৰাজ্যৰ মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবসকলক লৈ এখন সমিতি গঠন কৰা হ'ব যাৰ জৰিয়তে অহা ২ অক্টোবৰৰ পৰা প্ৰজেক্ট সম্ভাৱনা পুনৰ আৰম্ভ কৰা হ'ব আৰু ২ অক্টোবৰৰ পৰা ৩১ জানুৱাৰীৰ ভিতৰত সচিবালয়, সঞ্চালকালয়, জিলা আয়ুক্তৰ কাৰ্যালয়ত নিষ্পত্তি নোহোৱাকৈ থকা সকলো ফাইল আৰু ৰাইজৰ আবেদনসমূহ ক্ষিপ্ৰতাৰে মীমাংসা কৰা হ'ব। অহা ডিচেম্বৰৰ পৰা মিছন বসুন্ধৰা ৪.০ আৰম্ভ কৰা হ'ব বুলি মুখ্য মন্ত্ৰীয়ে লগতে ঘোষণা কৰে। প্ৰতিষ্ঠাৰ ১২৫ বছৰত ভৰি দিয়া কটন বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে ১০০ কোটি টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ কথাও তেওঁ ঘোষণা কৰে। উচ্চশিক্ষিত যুৱক-যুৱতীক কৃষিখণ্ডলৈ আকৰ্ষিত কৰিব লাগিব বুলি মন্তব্য কৰি ডঃ শৰ্মাই কয় যে অহা ৫ বছৰত ১০ হাজাৰ আৰু এই বছৰ ১,০০০গৰাকী উদ্যমী আৰু প্ৰগতিশীল কৃষকক মুখ্য মন্ত্ৰী কৃষক উৎকৰ্ষ বঁটা প্ৰদান কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই বঁটাৰ অধীনত নিৰ্বাচিত প্ৰতিগৰাকী কৃষকলৈ এক লাখ টকাকৈ আৰ্থিক সন্মান আগবঢ়োৱা হ'ব। জেন-জি, জেন-আলফা আদি ইউৰোপীয় সংস্কৃতিৰ পৰা অহা ধাৰণাহে বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰী ডঃ শৰ্মাই যুৱপ্ৰজন্মক দেশৰ ভৱিষ্যৎ আখ্যাৰে তেওঁলোকক পুত্ৰ-কন্যাসম বুলি অভিহিত কৰে। নতুন প্ৰজন্মৰ বাবে কাম কৰা আৰু ৰাজ্যৰ সম্পদক তেওঁলোকৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাটো চৰকাৰৰ দায়িত্ব বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যৰ যুৱপ্ৰজন্মক শৃংখলিতভাৱে বিকাশৰ পথলৈ আগবঢ়াই নিয়াৰ বাবে যুৱ সবলীকৰণ আৰু উন্নয়ন বিভাগ নামেৰে এটা সম্পূৰ্ণ নতুন বিভাগ গঠন কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ খিলঞ্জীয়া আৰু থলুৱা জনসাধাৰণৰ অস্তিত্বৰ সুৰক্ষা তথা তেওঁলোকৰ জন্মগত ভূমিৰ অধিকাৰ চিৰকালৰ বাবে অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত ৰাজ্যৰ ৪০ টা ৰাজহ চক্ৰক বিশেষভাৱে অধিসূচিত কৰাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰি মুখ্য মন্ত্ৰীয়ে কয় যে এই ৰাজহ চক্ৰসমূহৰ অন্তৰ্গত এলেকাত তিনিটা প্ৰজন্ম ধৰি বসবাস কৰা বাসিন্দাইহে ভূমি ক্ৰয় কৰিব পাৰিব। স্বাধীনতা দিৱস উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্য মন্ত্ৰীয়ে ৰাজ্যবাসীৰ প্ৰতি কেইবাটাও গুৰুত্বপূৰ্ণ আহ্বান জনায়। ডঃ শৰ্মাই অসমবাসী ৰাইজক লোকপিয়লত স্বতঃস্ফূৰ্তভাৱে ভাগ ল'বলৈ আহ্বান জনাই কয় যে বৰাক উপত্যকাৰ ৰাইজ আৰু জনজাতীয় ভাই-ভনীসকলে লোকপিয়লত নিজৰ নিজৰ ভাষাক মাতৃভাষা হিচাপে উল্লেখ কৰক। তেওঁলোকৰ বাহিৰে বহিঃৰাজ্যৰ পৰা আহি অসমক মাতৃভূমি বুলি গণ্য কৰা লোকসকলকে ধৰি অসমত বাস কৰা প্ৰতিগৰাকী গৌৰৱী অসমীয়াক লোকপিয়লত অসমীয়া ভাষাক নিজৰ মাতৃভাষা বুলি পৰিচয় দিবলৈ তেওঁ আহ্বান জনায়। আধুনিকতাৰ দিশে আগবাঢ়িলেও নিজৰ শিপা আৰু মূল্যবোধ কেতিয়াও নাপাহৰিবলৈ আৰু সন্তানকো সেই শিক্ষা দিবলৈ মুখ্য মন্ত্ৰীয়ে ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে সন্তানক কেৱল পৰীক্ষাত ভাল ফলাফল কৰাৰ বাবে নহয়, জীৱনত এজন ভাল মানুহ হিচাপে গঢ়ি তোলাৰ বাবে শিক্ষা দিবলৈ, নিজে মাদক দ্ৰব্যৰ পৰা আঁতৰি থকাৰ লগতে নিজৰ সন্তান আৰু যুৱপ্ৰজন্মক মাদক দ্ৰব্যৰ পৰা সুৰক্ষিত ৰাখি নিচামুক্ত জীৱনৰ বাবে আনকো উৎসাহিত কৰাৰ বাবে সংকল্প ল'বলৈ, নদী, পাহাৰ, বনাঞ্চল, জলাশয় আৰু জৈৱবৈচিত্ৰ্য সংৰক্ষণ কৰিবলৈ, বৰষুণৰ পানী সংৰক্ষণ আৰু ব্যৱহাৰৰ ব্যৱস্থা কৰিবলৈ ৰাইজক আহ্বান জনায়। ৰাজ্যৰ যুৱপ্ৰজন্মক চাকৰিমুখী নহৈ নিজৰ জ্ঞান, দক্ষতা আৰু সৃষ্টিশীলতাৰে নতুন সুযোগ সৃষ্টি কৰাৰ মানসিকতা গঢ়ি তুলিবলৈ, 'মোৰ অসম, মোৰ দায়িত্ব' এই সংকল্পৰে ৰাস্তাত আৱৰ্জনা নেপেলোৱাৰ পৰা ৰাজহুৱা সম্পদ সুৰক্ষিত ৰখালৈ, আইন মানি চলাৰ পৰা আনৰ অধিকাৰক সন্মান কৰালৈ-নাগৰিকৰ প্ৰতিটো দায়িত্ব সঠিক ৰূপত পালনেৰে এখন সুস্থ সমাজ গঢ়িবলৈও তেওঁ প্ৰতিগৰাকী অসমবাসীৰ প্ৰতি আহ্বান জনায়। মুখ্য মন্ত্ৰী ডঃ শৰ্মাই লগতে ইতিহাস চেতনাৰে সমৃদ্ধ হৈ ঐতিহ্য আৰু বৰ্ণিল সাংস্কৃতিক পৰম্পৰাক গৌৰৱেৰে সাৱটি জাতিটোক বিশ্বৰ দৰবাৰত থিয় কৰাবলৈও ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনায়। স্বাধীনতা দিৱসৰ কাৰ্যসূচীত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটা, আৰক্ষী সঞ্চালকপ্ৰধান হৰমীত সিং, কেইবাগৰাকী জনপ্ৰতিনিধি, স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালৰ সদস্য, সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বহুসংখ্যক বিশিষ্ট ব্যক্তি, ৰাজ্য প্ৰশাসনৰ বহুকেইগৰাকী উচ্চপদস্থ বিষয়া আৰু কেইবাহাজাৰ লোক উপস্থিত থাকে।

## দ্বিখণ্ডিত হ'ল নাগাৰা নাম সংঘ ঃ বলো বৈশ্য সভাপতি আৰু কুশল পাঠক সম্পাদক নিৰ্বাচিত

# পুঠিমাৰীত সদৌ অসম নাগাৰা নাম সংঘৰ নতুন সমিতি গঠন

**অসম ভূমি সেৱা, ৰঙিয়া ঃ** ৰঙিয়া সমজিলাৰ পুঠিমাৰীত যোৱা দেওবাৰে সদৌ অসম নাগাৰা নাম সংঘৰ প্ৰতিষ্ঠাপক শিল্পীসকলৰ লগতে জ্যেষ্ঠ, কনিষ্ঠ নামৰ শিল্পী আৰু হিতকাংক্ষীসকলৰ সৌজন্যত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সহস্ৰাধিক শিল্পী উপস্থিত থকা সভাখন সঞ্চালনা কৰে নাগাৰা নামৰ মহীৰূহ তথা সদৌ অসম নাগাৰা নাম সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক অচ্যুত ডেকাই। আহ্বায়ক যোগেশ্বৰ নাথে আঁত ধৰা সভাখনত প্ৰতিষ্ঠাপক সাংগঠনিক সম্পাদক বলো বৈশ্য, প্ৰাক্তন সভাপতি ৰূপেন্দ্ৰ নাথ ডেকা, প্ৰাক্তন সম্পাদক কুশল দাস, অৰবিন্দ কুমাৰ, মণিৰাম কলিতা, শিল্পী পেঞ্চনাৰ বিষয় ডেকা, ৰুণুনাথ শৰ্মা, জ্যেষ্ঠ পাঠক মেদিনী মোহন নাথ, ভুৱনেশ্বৰ কাকতি, বীৰেন দাস, দ্বিজেন্দ্ৰ নাথ পাঠক, চণ্ডী পাটোৱাৰী, হৰকান্ত কলিতা, দীপক কলিতা, যতীন চৌধুৰী, প্ৰাক্তন পত্ৰিকা সম্পাদক নৰকান্ত ডেকা, প্ৰাক্তন কাৰ্যালয় সম্পাদক গৌতম কলিতা, অভিযন্তা ধীৰেন শৰ্মা, পুঠিমাৰী বাৰোৱাৰী দুৰ্গা পূজা সমিতিৰ সভাপতি, সম্পাদক, পুঠিমাৰী ৰাস সমিতিৰ সভাপতি, সম্পাদক, পুঠিমাৰী জলকল্যাণ সমিতি আদি কৰি অৰ্ধশতাধিক ব্যক্তিয়ে নাগাৰা নামৰ প্ৰচাৰ আৰু প্ৰসাৰ, চৰকাৰে দিয়া আৰ্থিক ধনৰ ব্যৱহাৰৰ



সম্পৰ্কে বিশদভাৱে বক্তব্য আগবঢ়ায়। বিভিন্ন দিশ আলোচনাৰ অন্তত দৰং জিলাৰ বলো বৈশ্যক সভাপতি আৰু কামৰূপ জিলাৰ কুশল দাস পাঠকক সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া সমিতি গঠন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু বিয়লি ৪২ গৰাকী পাঠকে সমন্বয় নাগাৰা নাম পৰিৱেশন কৰি আটাইকে মুগ্ধ কৰে।

## ৭৭ সংখ্যক ৰামপুৰ আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজাৰ প্ৰস্তুতি

**ৰামপুৰ ঃ** ১৯৫০ বৰ্ষতে প্ৰতিষ্ঠা কৰা ৰামপুৰ আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজাই চলিত ২০২৬ বৰ্ষত ৭৭ সংখ্যক দুৰ্গা পূজা আয়োজন কৰিবলৈ প্ৰস্তুতি চলাইছে। যোৱা ১৫ আগষ্টত ৰামপুৰস্থিত দক্ষিণ কামৰূপ শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞ ধৰ্ম সংঘৰ সভাঘৰত এই উপলক্ষে গত বৰ্ষৰ সভাপতি ভাৰত চন্দ্ৰ দাসৰ সভাপতিত্বত সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। বিগত বৰ্ষৰ সাধাৰণ সম্পাদক মাণিক সিংহই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত ২০২৫ বৰ্ষৰ আয়-ব্যয়ৰ খতিয়ান দাখিল কৰা হয়। হিচাপ পৰীক্ষক অবিনাশ কলিতাই দাখিল কৰা হিচাপ অনুসৰি ১৪,০০,৪২২ টকা জমাৰ বিপৰীতে ১৩,১৬,৫৯৬ টকা ব্যয় দেখুওৱা হয়। বিভিন্ন আলাপ-আলোচনাৰ অন্তত জীৱেশ্বৰ দাসক সভাপতি, কামেশ্বৰ দাস, বিপুল কুমাৰ চৌধুৰী আৰু অমিয় কুমাৰ দাসক কাৰ্যকৰী সভাপতি, গাজীৰাম দাস, প্ৰশান্ত মজুমদাৰ আৰু ৰামপ্ৰসাদ দাসক উপ-সভাপতি, সুভেন দাসক সাধাৰণ সম্পাদক, ব্ৰজেন ঠাকুৰীয়া আৰু অপূৰ্ব কলিতাক সহকাৰী সম্পাদকৰ লগতে মাণিক সিংহ (পদেন), বিমল শৰ্মা, বসন্ত কলিতা, ৰুবুল চৌধুৰী, বিনয় কলিতাক সাধাৰণ সভাই কাৰ্যকৰী সদস্য হিচাপে মনোনীত কৰে। পৰৱৰ্তী সময়ত পুনৰ কিছুসংখ্যক লোকক সমিতিখনত সদস্য হিচাপে মনোনীত কৰি ল'বলৈ নতুন সমিতিক দায়িত্ব অৰ্পণ কৰে।

## মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সচিব হেমন্ত চৌধুৰীক 'সমাজ ৰত্ন' সন্মান প্ৰদানৰ সিদ্ধান্ত

# কামৰূপ জিলা সাহিত্য সভাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক

**অসম ভূমি সেৱা, ছয়গাঁও ঃ** অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখাৰ সন্মান লাভ কৰা কামৰূপ জিলা সাহিত্য সভাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা দেওবাৰে ছয়গাঁৱত অনুষ্ঠিত হয়। ছয়গাঁও সাহিত্য সভাৰ সহযোগত ছয়গাঁওস্থিত কৃষ্ণৰাম দাস শিক্ষণ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ মেৰঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰমেশ চন্দ্ৰ মেধিয়ে। ছয়গাঁও সাহিত্য সভাৰ সভাপতি ড° প্ৰাণেশ্বৰ নাথে আদৰণী ভাষণ আগবঢ়োৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক ৰজনী শালৈয়ে। অৱসৰপ্ৰাপ্ত অধ্যাপক বিজয়া ডেকাই উদ্বোধন কৰা সভাত অসম সাহিত্য সভাৰ সংবিধান সংশোধন সম্পৰ্কীয় বিষয়ত কামৰূপ জিলা সাহিত্য সভা আৰু জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখা সাহিত্য সভাসমূহে প্ৰস্তাৱ গ্ৰহণ কৰে। বৰ্তমান সময়ত সংবিধানত থকাৰ নিচিনাকৈ অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ কাৰ্যকাল জীৱন কালত মাত্ৰ এবাৰহে হোৱা উচিত। সভাৰ কাৰ্যব্যৱস্থা যিহেতু সেৱাৰ মনোভাবেৰে আগবাঢ়ে গতিকে নতুন ব্যক্তিয়ে সুবিধা পোৱাৰ অৰ্থে সভাৰ কাৰ্যকাল এটাহে হোৱা উচিত বুলি সভাই মত পোষণ কৰে। অসম সাহিত্য সভাৰ আজীৱন সভ্যভৰ্তি জিলা সাহিত্য সভাই কৰে; কিন্তু জিলা আৰু শাখা সাহিত্য সভাই ইয়াৰ পৰা কোনো ধৰণে উপকৃত নহয়। গতিকে আজীৱন সভ্যৰ বৰঙণিৰ এটা অংশ অৰ্থাৎ অতি কমেও প্ৰতিজন আজীৱন সভ্যৰ বাবদ জিলা সাহিত্য সভাক আৰু শাখা সাহিত্য সভাক ১০০ টকাৰ সলনি ৩০০ টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি কাৰ্যনিৰ্বাহক সভাত প্ৰস্তাৱ গ্ৰহণ কৰে। দমদমা সাহিত্য সভাই দাখিল কৰা এক প্ৰস্তাৱৰ ভিত্তিত কামৰূপ জিলা সাহিত্য সভাই কামৰূপ ৰত্ন, সুলেখক তথা অৱসৰী আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰক আগন্তুক কাৰ্যকালৰ বাবে অসম সাহিত্য সভাৰ সভাপতিৰ পেনেলত তালিকাভুক্ত কৰাৰ বাবে আহ্বান জনাবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে সভাত কামৰূপ জিলা সাহিত্য সভাৰ জিলা প্ৰতিনিধি অজিত প্ৰসাদ শৰ্মাই নিজৰ দায়িত্বৰ লগতে সভাৰ সাধাৰণ সভ্যৰ পৰাও অব্যাহতি লোৱাৰ ফলত আগন্তুক সময়ছোৱাৰ বাবে খালী হোৱা কামৰূপ জিলাৰ প্ৰতিনিধি হিচাপে হেমন্ত কলিতাৰ নাম প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। তদুপৰি কামৰূপ জিলা সাহিত্য সভাৰ ২০২৫-২৬ বৰ্ষৰ 'সমাজ ৰত্ন' বঁটাৰ বাবে মুখ্য মন্ত্ৰীৰ ব্যক্তিগত সহায়ক হেমন্ত কুমাৰ চৌধুৰীক প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। জিলা কাৰ্যনিৰ্বাহক সভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যক ছয়গাঁও সাহিত্য সভাৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনায়। সভাত শলাগৰ শৰাই আগবঢ়ায় জিলা সম্পাদক ৰজনী শালৈ আৰু সহকাৰী সম্পাদক ধীৰাজ কুমাৰ দাসে। সভাৰ আগে আগে পুৱা পতাকা উত্তোলন কৰে ছয়গাঁও সাহিত্য সভাৰ সভাপতি ড° প্ৰাণেশ্বৰ নাথে, বৃক্ষৰোপণ কৰে ছয়গাঁও সাহিত্য সভাৰ উপ-সভাপতি দ্বিজেন্দ্ৰ নাথ শৰ্মা আৰু খণ্ড বন বিষয়া চন্দ্ৰমোহন সাহাই। সভাত বন্তি প্ৰজ্বলন কৰে ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিজয় দুৱৰাই, স্মৃতি তৰ্পণ কৰে চম্পকনগৰ গাঁও পঞ্চায়তৰ সভাপতি প্ৰাঞ্জল মহন্তই।

## 'অসমৰ সমাজ জীৱনত বড়ো ভাষাৰ থিয়েটাৰ প্ৰচলন কৰাটো অতিকৈ জটিল'

# চন্দ্ৰকান্ত মছাহাৰীৰ অভিনন্দন গ্ৰন্থ উন্মোচন



**অসম ভূমি সেৱা, পাঠশালা ঃ** বড়ো নাট্য আন্দোলনৰ পথ প্ৰদৰ্শক, সৌৰাংমঞ্জু থিয়েটাৰৰ প্ৰযোজক-পৰিচালক, নাট্যকাৰ, অভিনেতা আৰু এক সময়ৰ বিখ্যাত ফুটবল খেলুৱৈ চন্দ্ৰকান্ত মছাহাৰী ওৰফে চেখাৰ অভিনন্দন গ্ৰন্থ 'জীৱন দাপোণ' যোৱা দেওবাৰে লেচেৰাত উন্মোচন কৰা হয়। এই উপলক্ষে পাঠশালাৰ সমীপৰ লেচেৰা গাঁৱৰ সৌৰাংমঞ্জু থিয়েটাৰৰ আখৰা গৃহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নিজৰ সৃষ্টিৰে সমগ্ৰ বড়ো জাতিক মহীয়ান কৰি থোৱা চেখাৰ এক বৰ্ণিল জীৱনৰ দস্তাবেজ 'জীৱন দাপোণ' উন্মোচন কৰে সাহিত্য অকাডেমী বঁটাপ্ৰাপক তথা কটন বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড° ফুকন চন্দ্ৰ বসুমতাৰীয়ে। উন্মোচনী ভাষণত ড° বসুমতাৰীয়ে কয় যে বজালীৰ সু-সন্তান, এক সময়ৰ প্ৰসিদ্ধ ফুটবল খেলুৱৈ তথা বৰ্তমান সৌৰাংমঞ্জু থিয়েটাৰৰ প্ৰযোজক, নাট্যকাৰ, অভিনেতা তথা পৰিচালক চন্দ্ৰকান্ত মছাহাৰীৰ বৰ্ণিল জীৱনৰ আলোকপাত 'জীৱন দাপোণ' উন্মোচন কৰিবলৈ পাই মই নিজকে ধন্য মানিছো। অসমৰ সমাজ জীৱনত বড়ো ভাষাৰ থিয়েটাৰ প্ৰচলন কৰাটো অতিকৈ জটিল কাম; কিন্তু অতি কম খৰচতে এই অসম্ভৱ কাম কৰি দেখুৱালে এখন অখ্যাত গাঁৱৰ টকা-পইচা নথকা চেলিব্ৰেটিহীন এগৰাকী অখ্যাত ব্যক্তিয়ে। জীৱনৰ প্ৰায় ৫৩টা বছৰে মছাহাৰীয়ে বড়ো নাট্য আন্দোলনক এক অনবদ্য নেতৃত্ব প্ৰদান কৰা বুলিও মন্তব্য কৰে ড° বসুমতাৰীয়ে। সভাত উপস্থিত থাকি বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে ভাষণ প্ৰসংগত কয় যে বজালীৰ সমাজ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা আমাৰ সকলোৰে শ্ৰদ্ধাৰ চন্দ্ৰকান্ত মছাহাৰী। আমি তেওঁক সৰুৰে পৰা 'চেখাদা' বুলি জানিছিলো। 'চেখাদা' বুলিলে অখ্যাত শিল্পীৰ বিখ্যাত কাহিনী, অখ্যাত খেলুৱৈৰ স্বনামধন্য কাহিনী আৰু অখ্যাত ব্যক্তিৰ বিশাল সামাজিক দস্তাবেজ। যিজন ব্যক্তিৰ কৰ্মৰাজি অকল বজালীতে নহয় সমগ্ৰ অসমতে এক সোণালী আখৰেৰে লিখা থাকিব। নিজৰ অভিনন্দন গ্ৰন্থখনৰ সন্দৰ্ভত চন্দ্ৰকান্ত মছাহাৰীয়ে কয় যে জীৱন যুদ্ধত বহুতো সংগ্ৰাম কৰিলো। যোৱা ৫৩ বছৰে বড়ো জাতিৰ নাট্য সংস্কৃতিৰ উত্তৰণৰ বাবে নিজকে উছৰ্গিত কৰিলো। নিজৰ টকা-পইচা নাই যদিও থিয়েটাৰৰ নামত ৬৫ বিঘা মাটিৰ প্ৰায় ৫০ বিঘা বিক্ৰী কৰি ৰাইজক থিয়েটাৰ দেখুৱাই আহিছো। ৬০-৭০ দশকত ফুটবলৰ খেলপথাৰত ৰাইজে যেতিয়া 'আপ চেখাদা আপ' বুলি কয়, মই তেতিয়া সন্মুখত বলটোৰ বাহিৰে একো দেখা নাপাওঁ বুলি নিজৰ খেলুৱৈ জীৱন আৰু সৌৰাংমঞ্জু থিয়েটাৰৰ বহুতো কথা অলোকপাত কৰি আৱেগিক হৈ পৰে। পাকা সৰিহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শৈলেন দত্তৰ সভাপতিত্বত আৰু গ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰা দেৰেন ৰয়ে আঁত ধৰা অনুষ্ঠানত নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি চন্দ্ৰকান্ত বসুমতাৰী, অৱসৰপ্ৰাপ্ত স্বাস্থ্য প্ৰশিক্ষক সুৰেন্দ্ৰ কলিতা, বিশিষ্ট ব্যক্তি থানেশ্বৰ বসুমতাৰী, অৱসৰপ্ৰাপ্ত শিক্ষক চিন্ময় শৰ্মাকে আদি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ২০২৬-২৭ বৰ্ষৰ সৌৰাংমঞ্জু থিয়েটাৰৰ আখৰা গৃহৰ বন্তি প্ৰজ্বলন আৰু মাংগলিক অনুষ্ঠানেৰে সমাপন কৰা হয়।

■ অসম ভূমি ■ ১৯ আগষ্ট, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# মূল্যবোধৰ শিক্ষা

প্ৰতিগৰাকী পিতৃ-মাতৃয়েই সন্তানক ভৱিষ্যতে এগৰাকী সু নাগৰিক হিচাপে উজলি উঠাটো আশা কৰে। সাম্প্ৰতিক সময়ত আমি অভিভাৱকসকল আমাৰ সন্তানক লৈ একপ্ৰকাৰৰ অঘোষিত প্ৰতিযোগিতাৰ দৌৰত দৌৰো কিয়? সন্তান বুজা হোৱাৰে পৰাই দিনটোৰ কিছু সময় আপোনাৰ সন্তানৰ সৈতে কটোৱাটো সবাতোতকৈ দৰকাৰী বিষয়। ইয়াৰ লগে লগে আপোনাৰ সন্তানক ইতিবাচক শিক্ষা দিব লাগে। শিশুসকলেই হ'ল আমাৰ ভৱিষ্যৎ সমাজৰ গুৰি ধৰোতা। আমাৰ ঘৰখনেই হ'ল প্ৰকৃত শিক্ষাৰ মূল কঠীয়াতলী। চাৰিত্ৰিক দিশৰ পৰা আৰম্ভ কৰি ঘৰখনতেই জন্মৰে পৰা শিশু এজনে লাভ কৰে নৈতিকতাৰ শিক্ষা, মাত-কথা, ব্যৱহাৰ-পাতি, শিক্ষা আদি। এগৰাকী অভিভাৱক হিচাপে আমি আমাৰ সন্তানক নিজৰ জীৱনত সফল, ভাল মানুহ তথা সুখী হোৱাৰ উদ্দেশ্যে মাত্ৰ তিনি- চাৰি বছৰ বয়সৰ পাছতেই জ্ঞান লাভৰ কাৰণে বিদ্যালয়লৈ পঠিয়াবলৈ আৰম্ভ কৰো। নহয় জানো? কিন্তু প্ৰশ্ন হয় আমি অভিভাৱকসকলে সন্তানৰ পিঠিত কিতাপ-বহীৰ গধুৰ বোজা জাপি দি বিদ্যালয়লৈ পঠিয়াই দিলেই শিশুজনে প্ৰকৃত শিক্ষা লাভ কৰি নিজকে গঢ়ি তুলিব পাৰিবনে? আমাৰ সন্তানৰ ৰুচি, লিখা-পঢ়া সম্বন্ধে তথা কোনটো দিশত তেওঁ পাৰ্গত আমি অভিভাৱকসকলে বিশ্লেষণ কৰিছোনে? প্ৰায়সংখ্যক পিতৃ-মাতৃয়েই নকৰো, আমি কেৱল পৰীক্ষাৰ বহীৰ নম্বৰৰ প্ৰতিযোগিতাৰ ওপৰত ব্যস্ত। আজিকালি সৰু-সুৰা শ্ৰেণীকোঠাৰ পৰীক্ষাৰ আগতে পিতৃ-মাতৃৰ ব্যস্ততা। দেখিলে এনে ভাব হয় পৰীক্ষা আচলতে কাৰ? সন্তানৰ নে পিতৃ-মাতৃৰ? সন্তানৰ একেবাৰে সৰু সৰু কামবোৰত বা সফলতাত আমি প্ৰশংসা কৰিবলৈ পাহৰি যাওঁ কিন্তু দোষটো খুঁচৰিবলৈ বা আনৰ লগত তুলনা কৰিবলৈ নাপাহৰো। সকলোৱে যেন দৌৰিছো মানৱ সমাজৰ বাঃ বাঃ লোৱাৰ প্ৰতিযোগিতাত বিজয়ী হোৱাৰ মানসেৰে। বহুক্ষেত্ৰত দেখা যায় আমি অভিভাৱকসকলে আমাৰ সন্তানক প্ৰয়োজন অনুসৰি তেওঁলোকক সময় দিবলৈ নাটনি। কৰ্ম ব্যস্ততাৰ বাবে সিহঁতৰ হাতত তুলি দিছো ৰিমৰ্ট অথবা ম'বাইল গেম। ইয়াৰ ফলত আমাৰ সন্তানৰ ভৱিষ্যৎ কোনদিশে গতি কৰিব পাৰে? প্ৰকৃত শিক্ষা লাভ কৰিছেনে আমাৰ সন্তানে?

প্ৰকৃত শিক্ষাই জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰণ কৰে। আমি আমাৰ সন্তানক প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰিবলৈ হ'লে কেতবোৰ কৰণীয় কাম আছে। তাৰে ভিতৰত অন্যতম হৈছে— সন্তানৰ বাবে ভাল শিক্ষা ব্যৱস্থা নিশ্চিত কৰা, তেওঁলোকক শিক্ষাৰ প্ৰতি উৎসাহ যোগোৱা, তেওঁলোকৰ মূল্যবোধৰ শিক্ষাৰ বাবে সময় উলিওৱা, তেওঁলোকৰ ভুলবোৰ শুধৰাবলৈ সহায় কৰা আৰু তেওঁলোকৰ সক্ষমতা বৃদ্ধিৰ বাবে সুযোগ প্ৰদান কৰা।

প্ৰতিযোগিতাৰ দৌৰত দৌৰি আমি আমাৰ সন্তানৰ শাৰীৰিক, মানসিক উৎকৰ্ষ সাধন কৰিব পাৰিছোনে? এইক্ষেত্ৰত বহুসংখ্যক পিতৃ-মাতৃয়েই বিফল। কাৰণ বৰ্তমানৰ প্ৰায়সংখ্যক ল'ৰা-ছোৱালীৰে জেদ, অহমিকা, ঈৰ্ষা, অসহিষ্ণুতা, অনিয়মানুৱৰ্তিতা আদি প্ৰতিফলিত হয়। গতিকে আমি অভিভাৱকসকল যিমানেই ব্যস্ত নহও কিয়, সন্তানৰ লগত খোলাকৈ সকলো কথা আলোচনা কৰা, বয়ঃসন্ধিৰ সময়ত আহিব লগা দৈহিক, মানসিক পৰিৱৰ্তনবোৰ বুজাই দিয়া উচিত। কিয়নো বাহিৰত অথবা টিভি, ইউটিউব আদিত দেখি-শুনি ভুল ধাৰণা লোৱাতকৈ ঘৰতে অৱগত কৰি ল'লে ভুল পথ লোৱাৰ ভয় বহু পৰিমাণে কমি যায়। সৰু হ'লেও তেওঁলোকৰো যে মতামতৰ গুৰুত্ব আছে, তেওঁলোকো যে পৰিয়াল তথা সমাজৰ গুৰুত্বপূৰ্ণ ব্যক্তি অনুভৱ কৰিবলৈ দিয়া উচিত। যুগৰ পৰিৱৰ্তনৰ লগত খাপ খাই চলিব পৰাকৈ নিশ্চয় গতিশীল তথা বহল মানসিকতাৰ পৰিচয় দিয়া উচিত। কিন্তু বহু সময়ত আমি যেন হৈ পৰিছো যন্ত্ৰ, য'ত মানসিকতা, সহৃদয়তা আদি শব্দৰ বাবে হৃদয়ৰ পৰা ঈৰ্ষা, স্বাৰ্থপৰতা, ঠগ, আত্মকেন্দ্ৰিকতা আদিৰ বাবে দুৱাৰ মুকলি কৰি দিওঁ আৰু এইবোৰে আমাৰ মন-মগজু গ্ৰাস কৰি লৈছে। নতুন প্ৰজন্মৰ বাবে এয়া কেনেধৰণৰ পৃথিৱী আমি উপহাৰ দিম।



# বিশ্ব পৰ্যটনৰ মানচিত্ৰত অসম

চন্দন কুমাৰ নাথ

প্ৰকৃতিৰ অপৰূপ নৈসৰ্গিক সৌন্দৰ্য, ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশি, সেউজীয়া চাহ বাগিচাৰ বিস্তীৰ্ণ দলিচা, কাজিৰঙাৰ গৌৰৱ এশিঙীয়া গঁড় আৰু চৰাইদেউৰ মৈদামৰ গৰ্ভত সযতনে সংৰক্ষিত হৈ থকা ৬০০ বছৰীয়া আহোম ৰাজত্বৰ স্বৰ্ণিল ইতিহাস, এই সকলোবোৰ সমলে অসমক বিশ্বৰ পৰ্যটন মানচিত্ৰত এক অনন্য আৰু অতুলনীয় মাত্ৰা প্ৰদান কৰাৰ ক্ষমতা ৰাখে। বিগত কেইটামান বছৰৰ পৰিসংখ্যা আৰু চৰকাৰী পদক্ষেপলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমৰ পৰ্যটন ক্ষেত্ৰখনে এক অভূতপূৰ্ব উত্থানৰ সাক্ষী হৈছে। এসময়ত কেৱল 'উত্তৰ-পূবৰ প্ৰৱেশদ্বাৰ' হিচাপে পৰিচিত অসম আজি কেৱল এক ট্ৰেনজিট পইণ্ট হৈ থকা নাই, বৰঞ্চ এক স্বতন্ত্ৰ, শক্তিশালী আৰু আকৰ্ষণীয় পৰ্যটন কেন্দ্ৰ হিচাপে বিশ্বৰ দৰবাৰত সগৌৰৱে থিয় দিছে; কিন্তু এইখিনিতেই এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হয় যে আমাৰ এই বিশাল সম্ভাৱনাক আমি সঁচাকৈয়ে সঠিকভাৱে ব্যৱহাৰ কৰি বিশ্বৰ দৰবাৰত জিলিকিব পাৰিমনে? নে এই সম্ভাৱনা কেৱল চৰকাৰী ফাইলৰ পৰিসংখ্যা আৰু ৰঙীন বিজ্ঞাপনৰ মাজতেই সীমাবদ্ধ হৈ ৰ'ব?


অসমৰ পৰ্যটনৰ ইতিহাসত ২০২৪ চনৰ জুলাই মাহটো এক সোণালী অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব। নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক'ৰ (UNESCO) ৪৬ সংখ্যক অধিৱেশনত অসমৰ চৰাইদেউৰ মৈদামে 'বিশ্ব ঐতিহ্য ক্ষেত্ৰ' (World Heritage Site) হিচাপে আনুষ্ঠানিক স্বীকৃতি লাভ কৰে। ভাৰতৰ ৪৩ সংখ্যক আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো সাংস্কৃতিক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱা চৰাইদেউৰ এই মৈদামসমূহ কেৱল সমাধিস্থলেই নহয়, ই হ'ল টাই আহোমসকলৰ অতুলনীয় স্থাপত্যবিদ্যা আৰু প্ৰস্তৰ কলাৰ জীৱন্ত নিদৰ্শন। ১৩ শতিকাৰ পৰা ১৯ শতিকালৈকে নিৰ্মিত এই মৈদামসমূহক বিশ্বৰ বিশেষজ্ঞসকলে ইজিপ্তৰ পিৰামিড আৰু চীনৰ ৰাজকীয় সমাধিসমূহৰ সমকক্ষ বুলি অভিহিত কৰিছে। এই আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিয়ে কেৱল অসমৰ ঐতিহাসিক গৌৰৱেই বৃদ্ধি কৰা নাই, বৰঞ্চ সমগ্ৰ বিশ্বৰ ইতিহাসবিদ, গৱেষক আৰু পৰ্যটকৰ দৃষ্টি চৰাইদেউৰ লগতে সমগ্ৰ অসমৰ ওপৰত নিবদ্ধ কৰিছে। ইয়াৰ সমান্তৰালভাৱে, শেহতীয়াকৈ ২০২৬ চনৰ জুন মাহত ইউৰোপীয় সংঘই অসম ভ্ৰমণৰ ক্ষেত্ৰত থকা তেওঁলোকৰ দীৰ্ঘদিনীয়া সতৰ্কবাণী সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাটো অসম পৰ্যটনৰ বাবে এক যুগান্তকাৰী খবৰ হিচাপে পৰিগণিত হৈছে। দীৰ্ঘদিন ধৰি নিৰাপত্তাজনিত কাৰণত ইউৰোপৰ বহু দেশে অসমলৈ অহাত বাধা আৰোপ কৰিছিল। কিন্তু সাম্প্ৰতিক সময়ত অসমত ঘূৰি অহা শান্তি আৰু সুস্থিৰ পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি লোৱা এই পদক্ষেপে ইউৰোপৰ ২৭ খন দেশৰ প্ৰায় ৪৫০ মিলিয়ন নাগৰিকৰ বাবে অসমৰ দুৱাৰ মুকলি কৰিছে। ইয়াৰ পূৰ্বে ২০২৫ চনত অষ্ট্ৰেলিয়া আৰু জাপানেও অনুৰূপ সতৰ্কবাণী প্ৰত্যাহাৰ কৰিছিল। এই পদক্ষেপে আন্তঃৰাষ্ট্ৰীয় পৰ্যটকৰ আগমনৰ এক নতুন ঢৌ সৃষ্টি কৰি ৰাজ্যখনৰ অৰ্থনীতিক এক বৃহৎ সকাহ দিয়াৰ স্পষ্ট ইংগিত বহন কৰিছে। অসমৰ পৰ্যটন মানেই এসময়ত কেৱল কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানক বুজোৱা হৈছিল। নিঃসন্দেহে বন্যপ্ৰাণী পৰ্যটন এতিয়াও আমাৰ পৰ্যটন উদ্যোগৰ মেৰুদণ্ড। কিন্তু বৰ্তমান ৰাজ্যখনে নিজৰ পৰ্যটনৰ পৰিসৰ বহুলভাৱে বৃদ্ধি কৰি ধৰ্মীয়, নদী, খাদ্য আৰু পৰিৱেশ-অনুকূল পৰ্যটনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। নদী পৰ্যটনৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ বুকুৰে চলা বিলাসী ক্ৰুইজসমূহে এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। 'এম ভি গংগা বিলাস'ৰ দৰে বিলাসী ক্ৰুইজে বাৰানসীৰ পৰা ডিব্ৰুগড়লৈ কৰা যাত্ৰাই নদী পৰ্যটনৰ অপাৰ সম্ভাৱনাক বিশ্ববাসীৰ আগত দাঙি ধৰিছে। ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যাস্তৰ দৃশ্য উপভোগ কৰা, নদীৰ পাৰৰ জনজীৱনৰ সৈতে একাত্ম হোৱা আৰু ডলফিনৰ জলকেলি প্ৰত্যক্ষ কৰাটো বিশ্বৰ ধনী আৰু আভিজাত্যপ্ৰিয় পৰ্যটকসকলৰ বাবে এক অনন্য অভিজ্ঞতা হৈ পৰিছে। আনহাতে, ধৰ্মীয় আৰু আধ্যাত্মিক পৰ্যটনৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহো প্ৰশংসনীয়। কামাখ্যা মন্দিৰক কেন্দ্ৰ কৰি গঢ়ি তোলা 'কামাখ্যা কৰিডৰ' প্ৰকল্পই দেশী-বিদেশী তীৰ্থযাত্ৰীসকলক উন্নতমানৰ আন্তঃগাঁথনি প্ৰদান কৰাৰ লগতে মাজুলীৰ সত্ৰীয়া সংস্কৃতি আৰু আধ্যাত্মিক পৰিৱেশে শান্তিৰ সন্ধানত অহা পৰ্যটকসকলক বাৰুকৈয়ে আকৰ্ষণ

■ নৰম পৃষ্ঠাত

*অসমৰ পৰ্যটন মানেই এসময়ত কেৱল কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানক বুজোৱা হৈছিল। নিঃসন্দেহে বন্যপ্ৰাণী পৰ্যটন এতিয়াও আমাৰ পৰ্যটন উদ্যোগৰ মেৰুদণ্ড। কিন্তু বৰ্তমান ৰাজ্যখনে নিজৰ পৰ্যটনৰ পৰিসৰ বহুলভাৱে বৃদ্ধি কৰি ধৰ্মীয়, নদী, খাদ্য আৰু পৰিৱেশ-অনুকূল পৰ্যটনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। নদী পৰ্যটনৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ বুকুৰে চলা বিলাসী ক্ৰুইজসমূহে এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। 'এম ভি গংগা বিলাস'ৰ দৰে বিলাসী ক্ৰুইজে বাৰানসীৰ পৰা ডিব্ৰুগড়লৈ কৰা যাত্ৰাই নদী পৰ্যটনৰ অপাৰ সম্ভাৱনাক বিশ্ববাসীৰ আগত দাঙি ধৰিছে। ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যাস্তৰ দৃশ্য উপভোগ কৰা, নদীৰ পাৰৰ জনজীৱনৰ সৈতে একাত্ম হোৱা আৰু ডলফিনৰ জলকেলি প্ৰত্যক্ষ কৰাটো বিশ্বৰ ধনী আৰু আভিজাত্যপ্ৰিয় পৰ্যটকসকলৰ বাবে এক অনন্য অভিজ্ঞতা হৈ পৰিছে।*

*বৰ্তমান অসমীয়া সমাজৰ পৰিৱেশলৈ লক্ষ্য কৰিলে দেখা যায় যে এক অদৃশ্য বৌদ্ধিক বিসংগতিয়ে ক্ৰমান্বয়ে গা কৰি উঠিছে। নৱপ্ৰজন্মৰ মনোজগতত মাতৃভাষাৰ প্ৰতি থকা আৱেগিক আৰু বৌদ্ধিক টান শিথিল হৈ অহাৰ দৰে এক অস্বস্তিকৰ পৰিৱেশ সৃষ্টি হৈছে। ইয়াৰ বাবে কেৱল নৱপ্ৰজন্মক একপক্ষীয়ভাৱে দোষাৰোপ কৰিলে সত্যৰ অপলাপ হ'ব আৰু সমস্যাৰ গভীৰলৈ যোৱাটো সম্ভৱ নহ'ব। এই বিসংগতিৰ অন্তৰালত আছে আমাৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থা, ত্ৰুটিপূৰ্ণ শিক্ষা পদ্ধতি, অভিভাৱকৰ মানসিকতা আৰু বিশ্বায়নৰ আগ্ৰাসন। আজিৰ শিশু বা কিশোৰ-কিশোৰীসকলে যি এক যান্ত্ৰিক পৰিৱেশত ডাঙৰ-দীঘল হৈছে, তাত অসমীয়া ভাষাৰ চৰ্চা বা ব্যৱহাৰৰ পৰিসৰ ক্ৰমান্বয়ে সংকীৰ্ণ হৈ আহিছে। জন্মৰ পৰাই শিশু এটিৰ মুখত মাতৃভাষাৰ সলনি অন্য ভাষাৰ শব্দ গুঁজি দিয়াৰ এক অদ্ভুত মানসিকতা গঢ় লৈ উঠিছে। বহু অভিভাৱকে ধাৰণা কৰে যে কেৱল ইংৰাজী ভাষাত পাৰদৰ্শিতা অৰ্জন কৰিলেহে তেওঁলোকৰ সন্তানৰ ভৱিষ্যৎ সুৰক্ষিত হ'ব আৰু সমাজত প্ৰতিষ্ঠা লাভ কৰিব। এই ভ্ৰান্ত ধাৰণাই আমাৰ ঘৰুৱা কথনশৈলীৰ পৰা অসমীয়া শব্দবোৰক ক্ৰমে বিদায় দিছে।*

# নতুন প্ৰজন্ম-অসমীয়া ভাষাৰ ভৱিষ্যৎ



হিমাংশু ৰঞ্জন ভূঞা

ভাষা হৈছে একোটা জাতিৰ প্ৰাণস্পন্দন, জাতিসত্তাৰ পৰিচয় আৰু সাংস্কৃতিক চেতনাৰ আধাৰশিলা। পৃথিৱীৰ যিকোনো সজীৱ আৰু শক্তিশালী জাতিৰ মূল ভেটি হ'ল তেওঁলোকৰ মাতৃভাষা। সময়ৰ সোঁতত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন অনিবাৰ্য আৰু এই পৰিৱৰ্তনৰ ধাৰাই ভাষা, সাহিত্য আৰু সংস্কৃতিক বাৰুকৈয়ে স্পৰ্শ কৰে। সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ ভৱিষ্যৎ আৰু ইয়াৰ সৈতে নতুন প্ৰজন্মৰ সম্পৰ্ক এক অত্যন্ত স্পৰ্শকাতৰ তথা গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছে। বিশ্বায়নৰ তীব্ৰ ধামখুমীয়াত যেতিয়া পৃথিৱীখন এক গোলকীয় গাঁৱলৈ পৰ্যবসিত হৈছে, তেতিয়া আমাৰ দৰে আঞ্চলিক ভাষাসমূহলৈ নামি অহা প্ৰত্যাহ্বানসমূহক আমি কোনোপধ্যেই অস্বীকাৰ কৰিব নোৱাৰো। বিশেষকৈ অসমীয়া ভাষাৰ ক্ষেত্ৰত এই সংকট ক্ৰমান্বয়ে অধিক গভীৰ আৰু জটিল হৈ পৰা পৰিলক্ষিত হৈছে। নতুন প্ৰজন্মই কেনেদৰে নিজৰ মাতৃভাষাক গ্ৰহণ কৰিছে, দৈনন্দিন জীৱনত প্ৰয়োগ কৰিছে আৰু ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰিবলৈ আগবাঢ়ি আহিছে, তাৰ ওপৰতে নিৰ্ভৰ কৰিছে জাতিটোৰ বৌদ্ধিক আৰু সাংস্কৃতিক ভৱিষ্যৎ।

বৰ্তমান অসমীয়া সমাজৰ পৰিৱেশলৈ লক্ষ্য কৰিলে দেখা যায় যে এক অদৃশ্য বৌদ্ধিক বিসংগতিয়ে ক্ৰমান্বয়ে গা কৰি উঠিছে। নৱপ্ৰজন্মৰ মনোজগতত মাতৃভাষাৰ প্ৰতি থকা আৱেগিক আৰু বৌদ্ধিক টান শিথিল হৈ অহাৰ দৰে এক অস্বস্তিকৰ পৰিৱেশ সৃষ্টি হৈছে। ইয়াৰ বাবে কেৱল নৱপ্ৰজন্মক একপক্ষীয়ভাৱে দোষাৰোপ কৰিলে সত্যৰ অপলাপ হ'ব আৰু সমস্যাৰ গভীৰলৈ যোৱাটো সম্ভৱ নহ'ব। এই বিসংগতিৰ অন্তৰালত আছে আমাৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থা, ত্ৰুটিপূৰ্ণ শিক্ষা পদ্ধতি, অভিভাৱকৰ মানসিকতা আৰু বিশ্বায়নৰ আগ্ৰাসন। আজিৰ শিশু বা কিশোৰ-কিশোৰীসকলে যি এক যান্ত্ৰিক পৰিৱেশত ডাঙৰ-দীঘল হৈছে, তাত অসমীয়া ভাষাৰ চৰ্চা বা ব্যৱহাৰৰ পৰিসৰ ক্ৰমান্বয়ে সংকীৰ্ণ হৈ আহিছে। জন্মৰ পৰাই শিশু এটিৰ মুখত মাতৃভাষাৰ সলনি অন্য ভাষাৰ শব্দ গুঁজি দিয়াৰ এক অদ্ভুত মানসিকতা গঢ় লৈ উঠিছে। বহু অভিভাৱকে ধাৰণা কৰে যে কেৱল ইংৰাজী ভাষাত পাৰদৰ্শিতা অৰ্জন কৰিলেহে তেওঁলোকৰ সন্তানৰ ভৱিষ্যৎ সুৰক্ষিত হ'ব আৰু সমাজত প্ৰতিষ্ঠা লাভ কৰিব। এই ভ্ৰান্ত ধাৰণাই আমাৰ ঘৰুৱা কথনশৈলীৰ পৰা অসমীয়া শব্দবোৰক ক্ৰমে বিদায় দিছে। যিখন জিভাই ল'ৰালি কালত মাতৃভাষাৰ মিঠা সোৱাদ আৰু জতুৱা ঠাচৰ লগত পৰিচিত নহয়, সেই জিভাই ভৱিষ্যতে সেই ভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ সম্ভাৱনা তেনেই ক্ষিপ্ৰতাৰে হ্ৰাস পায়।

যেতিয়া এটা ভাষাই জীৱিকাৰ পথ দেখুৱাব নোৱাৰে বা অৰ্থনৈতিক নিৰাপত্তা প্ৰদান কৰিব নোৱাৰে, তেতিয়া সেই ভাষাৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ স্বাভাৱিকতে কমি যায়। অসমীয়া ভাষাৰ ক্ষেত্ৰত আজি এই প্ৰশ্নটো অতি সজোৰে উত্থাপিত হৈছে। বৰ্তমানৰ প্ৰতিযোগিতামূলক কৰ্মসংস্থাপনৰ বজাৰত ইংৰাজী ভাষাৰ একচেটিয়া আধিপত্যই আমাৰ মাতৃভাষাক কেৱল ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ আৱেগৰ সামগ্ৰী কৰি পেলাইছে। উচ্চ শিক্ষা, চিকিৎসা বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু বাণিজ্যৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ প্ৰয়োগ সীমিত হোৱাৰ বাবে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে অইন ভাষাৰ মাধ্যম বাছি ল'বলৈ বাধ্য হয়। ইয়াৰ ফলত সমাজত এক মাৰাত্মক বৌদ্ধিক ব্যৱধানৰ সৃষ্টি হয়। যিসকলে ভৱিষ্যতে সমাজৰ নেতৃত্ব দিবলৈ সক্ষম, তেওঁলোকে যেতিয়া নিজৰ ভাষাৰ পৰা আঁতৰি যায়, তেতিয়া ভাষাটিৰ বিকাশৰ গতি স্তিমিত হৈ পৰে। নতুন প্ৰজন্মই অনুভৱ কৰে যে অসমীয়া ভাষা কেৱল সাহিত্য চৰ্চা, সভা-সমিতি বা সাংস্কৃতিক অনুষ্ঠানৰ মাজতে সীমাবদ্ধ থকা উচিত। দৈনন্দিন জীৱন যাপন আৰু পেছাগত সফলতাৰ বাবে এই ভাষাৰ ব্যৱহাৰিক প্ৰয়োজনীয়তা তেওঁলোকে অনুভৱ নকৰে। এই ব্যৱহাৰিকতাবাদী দৃষ্টিভংগীয়েই ভাষাটিৰ ভৱিষ্যতৰ প্ৰতি এক অশনি সংকেত কঢ়িয়াই আনিছে।

প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণ আৰু ডিজিটেল মাধ্যমৰ সৰ্বগ্ৰাসী জনপ্ৰিয়তাই ভাষিক জগতখনত এক আমূল পৰিৱৰ্তন আনিছে। হাতৰ মুঠিলৈ অহা স্মাৰ্টফোন আৰু অন্তৰ্জালৰ বিশাল জগতখনত অসমীয়া ভাষাৰ উপস্থিতি সন্তোষজনক বুলি ক'ব নোৱাৰি। সামাজিক মাধ্যমসমূহত আমি প্ৰায়ে লক্ষ্য কৰো যে নতুন প্ৰজন্মই ভাব প্ৰকাশৰ বাবে অসমীয়া লিপিৰ সলনি ইংৰাজী লিপি (Roman Script) অথবা ইংৰাজী-অসমীয়া মিহলি ভাষা ব্যৱহাৰ কৰিছে। ইয়াৰ ফলত অসমীয়া ভাষাৰ ব্যাকৰণগত শুদ্ধতা, বানান আৰু শব্দভাণ্ডাৰৰ ব্যাপক ক্ষতিসাধন হৈছে। যেতিয়া ভাষা এটা কেৱল কথিত ৰূপত জীয়াই থাকে আৰু লিখিত ৰূপত তাৰ চৰ্চা কমি যায়, তেতিয়া সেই ভাষাৰ গঠন দুৰ্বল হৈ পৰে। যদিও ইউনিক'ড প্ৰযুক্তিৰ জৰিয়তে অসমীয়া ভাষাক ডিজিটেল মাধ্যমত লিখাৰ সুবিধা উপলব্ধ হৈছে, তথাপি গৰিষ্ঠসংখ্যক যুৱক-যুৱতীয়ে ইয়াৰ ব্যৱহাৰৰ পৰা বিৰত থাকে। বেছিভাগ ক্ষেত্ৰতে দেখা যায় যে নতুন প্ৰজন্মই অসমীয়া টাইপ কৰিবলৈ এলাহ কৰে বা ই জটিল বুলি অজুহাত দেখুৱায়। এই মানসিক এলেহুৱা স্বভাৱ আৰু প্ৰযুক্তিগত অদক্ষতাই ভাষাটোৰ ডিজিটেল ভৱিষ্যতক অন্ধকাৰলৈ ঠেলি দিছে। ইণ্টাৰনেটত যদি পৰ্যাপ্ত পৰিমাণৰ অসমীয়া সমল বা তথ্য উপলব্ধ নহয়, তেন্তে ভৱিষ্যতৰ গৱেষক বা পঢ়ুৱৈয়ে এই ভাষাটো ব্যৱহাৰ কৰিবলৈ আগ্ৰহী নহ'ব।

নৱপ্ৰজন্মৰ মনোজগতত পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণেও এক সুগভীৰ আৰু বিৰূপ প্ৰভাৱ পেলাইছে। গোলকীয় সংস্কৃতিৰ প্ৰভাৱত পৰি নিজৰ সাজ-পাৰ, খাদ্যাভ্যাসৰ লগতে কথা কোৱাৰ শৈলীতো তেওঁলোকে পশ্চিমীয়া বা বলিউডী ধাৰা অনুসৰণ কৰিবলৈ ভাল পায়। নিজৰ ভাষাত কথা কোৱাটো বা শুদ্ধ অসমীয়া শব্দ ব্যৱহাৰ কৰাটো বহুতে 'পুৰণি' বুলি গণ্য কৰে।




■ ১০ পৃষ্ঠাত

# নেদেখা প্ৰতিশ্ৰুতি

**বনজিৎ দাস**

বিষাদে মুচুৰি ভঙা
দেওলগা ঘাটত উচুপি উঠে
বুকুৰ গভীৰতাত
সময়ে নীৰৱে লিখি যায়
এটি অপঠিত কবিতা।
নিশাৰ আঁচলত
অচিন নদী
গোপনে সৰি পৰে
হেৰোৱা দিনৰ অনুচ্চাৰিত নদী।
নেদেখা পাপৰিবোৰ
শব্দত সাৰ পায় যায় উটি
বুকুৰ হাড় ছিঙি
উৰে অনুভৱৰ পখী হৈ
তাতেই গজিব ৰাতি ফুলা ফুল
ৰজনীগন্ধা।
অন্তৰ্লীন পোহৰৰ প্ৰতিশ্ৰুতি
প্ৰতিটো গভীৰ অন্ধকাৰৰ বুকুত
লুকাই থাকে কবিৰ
নতুন প্ৰভাতৰ অংকুৰিত বীজ।

# দেহ-মনৰ হিচাপ

**ভটিমা ৰাজবংশী**

ফটা মুখে লাগাম নাৰাখি
আঁক-বাঁক কৈ ফুৰে,
লোভীয়া জিভাই লোভত পৰি
পেটটো নষ্ট কৰে।

দুই চক্ষুই সীমা নাৰাখি
অজানিতে পাপ কৰে,
দুয়ো পাৰি দাঁতে ইটো-সিটো কামুৰি
নিজৰেই ক্ষয়-ক্ষতি কৰে।

দুই নাকে ঢাকনী নাৰাখি
ঘিণ কৰি ফুৰে,
দুই কৰ্ণই সজাগ থাকি
সম্বন্ধ নষ্ট কৰে।

দুই হাতে বলৱান বুলি
কঁকাল বেঁকা কৰে,
দুই ভৰিহে খোজ কাঢ়ি
দেহক তীৰ্থ কৰে।

চঞ্চল মনে উৰি ফুৰি
সময় ব্যয় কৰে,
যৌৱন কালে বিচাৰ নকৰি
নিয়ম উলংঘন কৰে।

কোমল হৃদয়ে প্ৰেমত পৰি
বুদ্ধি নষ্ট কৰে,
ৰূপ-লাৱণ্যই অহংকাৰ কৰি
আনক হেয়জ্ঞান কৰে।

এই দেহৰ গৰ্ব কৰি
হুল ফুটি মৰে,
গুণী জ্ঞানীও জানি-বুজি
নিজ ধৰ্ম নেৰে।



# ক্ষমতাৰ অট্টহাস্য

**শচীন্দ্ৰ কুমাৰ দাস**

সমাজৰ বুকুত তোমাৰ বৰ ভদ্ৰ পৰিচয়,
নকল চৰিত্ৰৰ মুখা পিন্ধি কৰা অভিনয়।

উচ্চ পদবীৰ কাম্য তোমাৰ, বিচাৰা উচ্চ স্থান,
স্বাৰ্থ সিদ্ধিৰ বাবে বলি দিছা ধৰম আৰু জ্ঞান।

মহাদুৰ্নীতিৰ বলেৰে কৰা সকলোকে নিয়ন্ত্ৰণ,
ভ্ৰষ্ট কুৎসিত চিন্তাৰে কৰা সমাজক বিকৃতকৰণ।

জনতাৰ চকুত ধূলি দি ভাবিছা নিজে জিকিলা,
লোভৰ সেই অন্ধকাৰত নিজৰ বিবেক বেচিলা।

কৰ্মক পাহৰি কেৱল ক্ষমতাৰ পিছত দৌৰিছা,
মিছা অহংকাৰৰ বুকুত তুমি নিজৰেই চিতা জ্বলাইছা।

মনত ৰাখিবা খহি পৰিব এদিন তোমাৰ এই মিছা মুখা,
চিৰকাল নাথাকে এই অহংকাৰ, এই ক্ষমতাৰ ভুৱা সুখ।

# নৰখাদক

**অনন্ত কুমাৰ ভূএগ**


বনৰ নৰখাদক
বাঘ সিংহ শিয়ালে পৰিহাৰ কৰিলে লোভ
আজি কেঁচা তেজৰ গোন্ধ সিহঁতে নলয়
উদৰ পূৰ নকৰে জীয়া মাংস খায়,
তেন্তে কোন সেই নৰখাদক?
নতুন নৰখাদক ক'ত আৱিষ্কাৰ হ'ল!
ৰ'দত শুকাইছে জীৱ
কোৱাল ধুমুহাজাকে পাতে ধ্বংস যজ্ঞ
বিধ্বংসী বানত উটি যায় মানুহ
নৰখাদকৰূপে চিনাক্ত এই দুৰ্যোগ
মৃত্যু মৃত্যু অসংখ্য মৃত্যু!
ঘৰচীয়া বনৰীয়া সকলো
মিলাপ্ৰীতিৰে একে ঠাইতে বাস কৰে,
হিংস্ৰ স্বভাৱ নাই।
ভয়াৱহ বান অতি নিৰ্মম,
উন্মাদ উন্মত্ত প্লাৱনে
তচনচ কৰি দিয়ে জীৱন ধাৰণ।
আজি মৃত জীৱ খাবলৈ
শগুন উৰা মাৰি ভূমিত নপৰে,
টুলুঙা নাৱত বহি বগলীয়ে
নীৰিক্ষণ কৰে বান পৰিস্থিতি,
প্ৰবল সোঁতত সাপ বেং উটি যায়
উন্মাদ বান নৰখাদক হ'ল,
হত্যাৰ ডায়েৰীত নাম লিপিবদ্ধ কৰিছে।
বিধ্বংসী বানে
নিমিষতে উটুৱাই লৈ যায়
বৃদ্ধা ডেকা গাভৰু কণমানি শিশু,
মৃত্যু অনিবাৰ্য এইসকলৰ,
পৰিৱেশ প্ৰতিকূল
মৃত্যুৰ গহ্বৰত ছেদেলি-ভেদেলি হৈ
ওপঙে মৰাশ।
আকস্মিক বিপৰ্যয় প্ৰাকৃতিক দুৰ্যোগ
নৰখাদকৰূপে চিহ্নিত আজি।



# কলিজাৰ ৰং

**ৰূপালী গগৈ চুতীয়া**

নৰিয়াত পৰিলে
চকুলো বয়
নাজানো কলিজাৰ
ৰং কি
শাওণৰ পথাৰত
জোকে ধৰিলে
পানী ৰঙা হয়।
জোকৰ তেজ ৰঙা নেকি
নে কলিজাৰ তেজ?
তোমাক সুধিবলৈও
ব্যস্ত থাকা
শুনিছো উশাহৰ
দৰ দাম বাঢ়িছে
কলিজাও বিক্ৰী হ'ব চাগৈ।
শাওণ মাহত যেতিয়া
নিহালীৰ বুকুত
কেঁকাই কেঁকাই থাকো
মোৰ শৰীৰৰ সকলো অংগ
বিষ হয়
তেতিয়া তুমি আহি
সাবটি লোৱাৰ উমানত
কপালখনে হাঁহি উঠে
কোমল ওঁঠৰ ৰং সানিবলৈ।
আৱেগিক হয় মন,
আৱেগিক হৈ পৰে হৃদয়,
নিজকে আঁতৰাই আনো
মন আৰু মৰম জানো একেই
নীৰৱে চকুলো টুকি
নিজকে কওঁ
তোৰ কলিজাৰ তেজ
ৰঙা নহয়
সেইখিনি আহাৰমহীয়া
পানীৰ ৰং।



# স্ৰোতস্বিনী

**ত্ৰিবেণী বৰা**

সৰ্পাকায় গতিৰে পৰি
ৰোৱা আলিবাটটোৰ
কাষেদি বৈ গৈছে
এখন শান্ত, সমাহিত নদী...
সদায় ৰ লাগি... চাওঁ...

নদীখনিৰ ওফন্দা
বুকুখনি... জিৰ জিৰ
কলধ্বনি... শিলে শিলে...
যেন প্ৰণয়ৰ আহ্বান...
এখনি শুভ্ৰ চাদৰত... ঢৌৰ
আলিংগন... কি মোহনীয়
ৰূপ... নৈৰ পাৰৰ হাজাৰজনৰ
জীৱনদায়িনী আই মাতৃ তুমি...

হঠাৎ এয়া কি...
শুভ্ৰ মেঘমল্লাৰ...
গাত দেখোন কজলা
আভৰণ...
তাৰ মাজে মাজে
দেখোন বিজুলীৰ চমক...

ক্ৰমাৎ, শান্ত নৈখনেও
আঁজুৰি খহালে নিজৰ
আভৰণবোৰ...
ৰূপ ল'লে কালচণ্ডী
চপৰা চপৰে খহালে
কাষৰ বালিপৃষ্ঠ...

এফালৰ পৰা ঢাঁহি মুহি লৈ
গৈছে... হাজাৰ হাজাৰ প্লাৱন
ভূমিত সানি থৈ গ'ল কালিমা
কৃষকৰ আশাক মোহাৰি...
পেলালে পলকতে...
সপোনৰ একোখনি
ঘৰ নিমিষতে...


ছাৰখাৰ... বহুতৰে হ'ল সলিল সমাধি...
চকুৰ সন্মুখত...
এখনি কদৰ্যময় ছবি...
পৰি ৰৈছে জীৱজন্তুৰ
মৰাশবোৰ...।

মানৱে তোমাক
দিয়া আঁচোৰাঘাতৰ
পৰিণাম...।
তথাপি, এই যন্ত্ৰণা
অসহ্যকৰ...।

হে স্ৰোতস্বিনী... শান্ত হোৱা...
খহাই তোমাৰ কালচণ্ডী বসন।
পিন্ধি লোৱা... মমতাময়ী আভৰণ
বৈ যোৱা..., বৈ যোৱা...
সৃষ্টিৰ উৎস হৈ...।
এয়া প্ৰত্যেকৰে আকুল আহ্বান।



*এই ঐতিহাসিক জাগৰণক শক্তি, প্ৰেৰণা আৰু স্পন্দন প্ৰদান কৰা বহু প্ৰতীক, শ্ল'গান আৰু গীতৰ ভিতৰত বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ কালজয়ী সৃষ্টি 'বন্দে মাতৰম্'-এ লাভ কৰিছিল এক সৰ্বোচ্চ আৰু অনন্য স্থান। পৰাধীনতাৰ গ্লানি আৰু নিৰাশাত অৱসন্ন হৈ পৰা বিশাল ভাৰতবৰ্ষৰ জনসাধাৰণক মাতৃভূমিৰ প্ৰতি একাত্মবোধ আৰু আত্মত্যাগৰ মহৎ চেতনাৰে উদ্বুদ্ধ কৰি তোলা এই দুটা শব্দ এক শক্তিশালী জাতীয় মংগলধ্বনি আৰু মুক্তিকামী জনতাৰ হুংকাৰত পৰিণত হৈছিল। 'বন্দে মাতৰম্' কেৱল এটি কবিতা বা গান হৈ থকা নাছিল। এই গীত হৈ পৰিছিল পৰাধীন ভাৰতৰ জাগ্ৰত আত্মাৰ সাৰ্থক অভিব্যক্তি, স্বদেশপ্ৰেমৰ এক উজ্জ্বল প্ৰতীক আৰু সংগ্ৰামৰ অগ্নিকুণ্ডত নতুন প্ৰাণ সঞ্চাৰ কৰা এক অনন্য সঞ্জীৱনী মন্ত্ৰ। ১৮৭৫ চনত প্ৰসিদ্ধ সাহিত্যিক, চিন্তাবিদ তথা স্বাধীনতা সংগ্ৰামী বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে এই কালজয়ী গীতটি ৰচনা কৰিছিল। সম্প্ৰতি এই ঐতিহাসিক ৰচনাৰ ১৫০ বছৰ পূৰ্ণ হৈছে। ১৮৮২ চনত প্ৰকাশিত বংকিমচন্দ্ৰৰ বিখ্যাত উপন্যাস 'আনন্দমঠ'ত এই গীতটো মুখ্য স্তোত্ৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল।*



# 'বন্দে মাতৰম্'- ভাৰতীয় জাতীয় চেতনাৰ অক্ষয় বন্তি

নলিনী ৰঞ্জন ভূঞা

ভাৰতৰ স্বাধীনতা সংগ্ৰাম আছিল ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ শোষণ, নিৰ্যাতন আৰু অন্যায়ৰ বিৰুদ্ধে গঢ় লৈ উঠা এক সুদীৰ্ঘ আৰু কষ্টকৰ ঐতিহাসিক আন্দোলন। দেশক পৰাধীনতাৰ শৃংখলৰ পৰা মুক্ত কৰি স্বাধীনতাৰ সূৰ্যোদয় ঘটোৱাৰ লক্ষ্যৰে অসংখ্য দেশপ্ৰেমী লোক, বিপ্লৱী আৰু স্বাধীনতা সংগ্ৰামীয়ে নিজৰ জীৱন, ত্যাগ আৰু তপস্যাৰে এই সংগ্ৰামক মহীয়ান কৰি তুলিছিল। ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ পৰা সূচনা হোৱা এই মুক্তি সংগ্ৰামে কালক্ৰমত এক অভূতপূৰ্ব গণ-আন্দোলনৰ ৰূপ লৈ সমগ্ৰ দেশক ভৌগোলিক, ভাষিক আৰু সামাজিক প্ৰাচীৰ ভাঙি একত্ৰিত কৰিছিল। আবেদন-নিবেদনৰ নৰমপন্থী ৰাজনীতিৰ পৰা আৰম্ভ কৰি স্বদেশী আন্দোলন, স্বৰাজ, সত্যাগ্ৰহ, অসহযোগ, আইন অমান্য আৰু ভাৰত ত্যাগ আন্দোলনলৈকে স্বাধীনতাৰ ব্যাকুল আকাংক্ষাই ভাৰতীয় জনজীৱনক গভীৰভাৱে স্পৰ্শ কৰিছিল। এই সংগ্ৰাম কেৱল মাত্ৰ ৰাজনৈতিক অধিকাৰ পুনৰুদ্ধাৰৰ আন্দোলন নাছিল, ই আছিল আত্মমৰ্যাদা, স্বদেশপ্ৰেম, ঐক্য আৰু জাতীয় চেতনাৰ এক বিৰাট সংস্কাৰমুখী জাগৰণ।

এই ঐতিহাসিক জাগৰণক শক্তি, প্ৰেৰণা আৰু স্পন্দন প্ৰদান কৰা বহু প্ৰতীক, শ্ল'গান আৰু গীতৰ ভিতৰত বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ কালজয়ী সৃষ্টি 'বন্দে মাতৰম্'-এ লাভ কৰিছিল এক সৰ্বোচ্চ আৰু অনন্য স্থান। পৰাধীনতাৰ গ্লানি আৰু নিৰাশাত অৱসন্ন হৈ পৰা বিশাল ভাৰতবৰ্ষৰ জনসাধাৰণক মাতৃভূমিৰ প্ৰতি একাত্মবোধ আৰু আত্মত্যাগৰ মহৎ চেতনাৰে উদ্বুদ্ধ কৰি তোলা এই দুটা শব্দ এক শক্তিশালী জাতীয় মংগলধ্বনি আৰু মুক্তিকামী জনতাৰ হুংকাৰত পৰিণত হৈছিল। 'বন্দে মাতৰম্' কেৱল এটি কবিতা বা গান হৈ থকা নাছিল। এই গীত হৈ পৰিছিল পৰাধীন ভাৰতৰ জাগ্ৰত আত্মাৰ সাৰ্থক অভিব্যক্তি, স্বদেশপ্ৰেমৰ এক উজ্জ্বল প্ৰতীক আৰু সংগ্ৰামৰ অগ্নিকুণ্ডত নতুন প্ৰাণ সঞ্চাৰ কৰা এক অনন্য সঞ্জীৱনী মন্ত্ৰ।

১৮৭৫ চনত প্ৰসিদ্ধ সাহিত্যিক, চিন্তাবিদ তথা স্বাধীনতা সংগ্ৰামী বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে এই কালজয়ী গীতটি ৰচনা কৰিছিল। সম্প্ৰতি এই ঐতিহাসিক ৰচনাৰ ১৫০ বছৰ পূৰ্ণ হৈছে। ১৮৮২ চনত প্ৰকাশিত বংকিমচন্দ্ৰৰ বিখ্যাত উপন্যাস 'আনন্দমঠ'ত এই গীতটো মুখ্য স্তোত্ৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। সংস্কৃত-বঙালী মিশ্ৰভাষাত ৰচিত এই গীতত মাতৃভূমিৰ বন্দনাৰ মাজেৰে ভাৰতীয় জাতীয়তাবাদৰ গভীৰ চেতনা প্ৰকাশ পাইছে। গীতটোৰ মূলভাবনাত ভাৰতভূমিক মাতৃৰূপে কল্পনা কৰি দেৱী দুৰ্গাৰ প্ৰতীকী ৰূপত বন্দনা কৰা হৈছে। 'আনন্দমঠ' উপন্যাসখনৰ মূল কাহিনী 'সন্তান' নামেৰে জনাজাত এদল সন্ন্যাসীক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। তেওঁলোকে নিজৰ জীৱন মাতৃভূমিৰ সেৱা আৰু মুক্তিৰ বাবে উৎসৰ্গা কৰিছিল। তেওঁলোকৰ বাবে মাতৃভূমি কেৱল জন্মভূমি নহয়, বৰং এগৰাকী দেৱীৰূপা মাতৃ। সন্তানসকলে গোৱা 'বন্দে মাতৰম্' গীতটোৱে এই দেশপ্ৰেম আৰু মাতৃভূমিৰ প্ৰতি গভীৰ ভক্তিৰ ভাবকে প্ৰতিফলিত কৰিছে। সেয়েহে, গীতটো 'আনন্দমঠ'ৰ কেন্দ্ৰীয় ভাবধাৰাৰ সৈতে গভীৰভাৱে জড়িত। সন্তানসকলৰ মন্দিৰত মাতৃভূমিক প্ৰতিনিধিত্ব কৰা তিনিটা মূৰ্তি স্থাপন কৰা হৈছিল— অতীতৰ গৌৰৱময় মাতৃ, বৰ্তমানৰ দুৰ্বল আৰু ধূলি-ধূসৰিত মাতৃ আৰু ভৱিষ্যতৰ মহিমামণ্ডিত মাতৃ। এই তিনিটা ৰূপৰ মাজেৰে ভাৰতৰ গৌৰৱময় অতীত, বৰ্তমানৰ পৰাধীনতা আৰু উজ্জ্বল ভৱিষ্যতৰ এক প্ৰতীকী চিত্ৰ দাঙি ধৰা হৈছে। এইদৰেই 'বন্দে মাতৰম্' গীতটোৱে মাতৃভূমিক দেৱীৰূপে কল্পনা কৰি দেশপ্ৰেম, আত্মত্যাগ আৰু স্বাধীনতাৰ আকাংক্ষাক এক শক্তিশালী ৰূপ প্ৰদান কৰিছে। গীতটোৰ মূল বাৰ্তা আছিল- জন্মভূমিৰ পবিত্ৰতা, স্বাধীনতা আৰু স্বাভিমান ৰক্ষা কৰাটো প্ৰতিজন সন্তানৰ সৰ্বোচ্চ ধৰ্ম আৰু ঐতিহাসিক দায়িত্ব। এই গীতটোক মহৰ্ষি শ্ৰীঅৰবিন্দই কেৱল এক কবিতা হিচাপে নহয়, বৰঞ্চ ইয়াক 'ভাৰতীয় ৰাষ্ট্ৰবাদৰ মন্ত্ৰ' আৰু 'জাতীয় সংগ্ৰামৰ প্ৰাণস্পন্দন' বুলি অভিহিত কৰিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলন চলি থকা দিনবোৰত 'বন্দে মাতৰম্' এক অভূতপূৰ্ব জাতীয় ধ্বনি আৰু অফুৰন্ত প্ৰেৰণাৰ উৎসত পৰিণত হৈছিল। ১৮৯৬ চনত কলকাতাত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১২ সংখ্যক বাৰ্ষিক অধিবেশনত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে প্ৰথমবাৰৰ বাবে ৰাজনৈতিক মঞ্চত গীতটি নিজৰ সুৰেৰে সংযোজিত কৰি ৰাজহুৱাভাৱে পৰিৱেশন কৰে। ৰবীন্দ্ৰনাথৰ অতি গম্ভীৰ, উদাত্ত আৰু সুমধুৰ কণ্ঠত ৰূপায়িত এই গীতটিয়ে অধিৱেশনস্থলীত এক বৈপ্লৱিক উদ্দীপনা সৃষ্টি কৰিছিল। পৰৱৰ্তী সময়ত ১৯০১ চনৰ কংগ্ৰেছৰ কলকাতা অধিৱেশনত দক্ষিণাচৰণ সেন আৰু ১৯০৫ চনৰ বাৰাণসী অধিৱেশনত সৰলা দেৱী চৌধুৰীণীয়ে এই গীত পৰিৱেশন কৰি ইয়াক অধিক জনপ্ৰিয় কৰি তোলে। ১৯০৫ চনত লৰ্ড কাৰ্জনে যেতিয়া সাম্ৰাজ্যবাদী স্বাৰ্থত বংগ ভংগৰ সিদ্ধান্ত ঘোষণা কৰে, তেতিয়া তাৰ প্ৰতিক্ৰিয়াস্বৰূপে গঢ়ি উঠা স্বদেশী আন্দোলনৰ সময়ছোৱাত 'বন্দে মাতৰম্' কেৱল এটি দেশপ্ৰেমমূলক গীত হৈ নাথাকি এক শক্তিশালী ৰাজনৈতিক শ্ল'গানত পৰিণত হয়। ১৯০৫ চনৰ ৭ আগষ্টত ৰাজনৈতিক শ্ল'গান হিচাপে ইয়াৰ উল্লেখযোগ্য ব্যৱহাৰ দেখা যায়। সেই বছৰতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ বাৰাণসী অধিৱেশনতো গীতটোৱে সৰ্বভাৰতীয় পৰিসৰত বিশেষ মৰ্যাদা লাভ কৰে। ব্ৰিটিছ ঔপনিৱেশিক শাসকে 'বন্দে মাতৰম্'ৰ জনপ্ৰিয়তা আৰু ইয়াৰ মাজেৰে প্ৰকাশ পোৱা জাতীয়তাবাদী চেতনাক ভয় কৰিছিল। ১৯০৬ ■ *নৱম পৃষ্ঠাত*





# জীৱন এক শিল্প

মণিকা বৰুৱা

জীৱন এক শিল্প। মানুহ নিজেই ইয়াৰ শিল্পী বা কলাকাৰ। মানৱ জীৱনৰ প্ৰতিটো স্তৰ একোটা শিল্প, মাথোঁ এই স্তৰবোৰ নানাৰঙী ফুলৰ দৰে বৰ্ণময়, বৈচিত্ৰ্যময় কৰি সজাই তুলিব পৰাতে মানৱ জীৱনৰ সাৰ্থকতা। একোজন শিল্পীৰ সুকুমাৰ চিন্তা-ভাবনাৰ দ্বাৰা এটা শিল্প, সি চিত্ৰ বা ভাস্কৰ্য, কবিতা অথবা সংগীত যিয়েই নহওক সাজি-পাৰি সৌন্দৰ্যশালী, ৰসোত্তীৰ্ণ হৈ কলামোদীৰ হৃদয়ত নান্দনিক আনন্দ-অনুভূতিৰ ঢৌ তোলে, কিয়নো তেওঁ অন্তৰতম উপলব্ধিৰে সৰ্বস্ব উজাৰি শিল্প স্ৰজনত মনোনিবেশ কৰে; ঠিক তেনেদৰে এটা শিল্পময় জীৱনে ব্যক্তিৰ নিজা উৎকৰ্ষ সাধন কৰাৰ লগতে সমসাময়িক সমাজখনতো আনন্দ আৰু প্ৰেৰণাৰ উৎসৰূপে ক্ৰিয়া কৰে।

প্ৰকৃতিৰ সকলো জীৱৰে এটা জীৱনকাল থাকে। যিকোনো জীৱৰ জনম-মৰণৰ মাজৰ নিচেই চমু সময়কণেই জীৱন। অনন্ত সময়ৰ তুলনাত জীৱৰ জীৱনকাল ক্ষুদ্ৰাতিক্ষুদ্ৰ। জীৱশ্ৰেষ্ঠ মানুহো ইয়াৰ ব্যতিক্ৰম নহয়। এই কম সময়ৰ, ক্ষণভংগুৰ জীৱনটো প্ৰতিজন মানুহে নিজাকৈ যাপন কৰে। সাধাৰণভাৱে লক্ষ্য কৰিলে দেখা যায় আমি জন্ম হ'লো কাৰণেই জীয়াই থাকিব লাগে বা আছো। কিন্তু, এক শ্ৰেণীৰ মানুহে তেনেদৰে নাভাবি জীৱনক উচ্চতৰ স্তৰলৈ তুলি নিয়াৰ চেষ্টাত ব্ৰতী হয়, তেওঁলোকৰ থাকে আত্মসংযম সম্বলিত পৰিশীলিত জীৱনবোধ, সুস্থ চিন্তা-চেতনা, সু-ৰুচিসম্পন্ন মানসিকতা, প্ৰেম-কৰুণা, ন্যায়নিষ্ঠা, উদাৰতা ইত্যাদি অনেক গুণ। এইসকল ব্যক্তিয়ে জীৱনক সুন্দৰ ৰূপত সজাই-পৰাই আনন্দময় আৰু সন্তুষ্টিৰে উপভোগ কৰে। এইসকলেই জীৱন শিল্পী। মানুহৰ হৃদয়ক বিমল আনন্দেৰে তৃপ্ত কৰা একোটা শিল্পৰ সৃষ্টিত যিদৰে এজন শিল্পীৰ একাগ্ৰ সাধনা নিহিত, ঠিক তেনেদৰে একোজন জীৱন শিল্পীয়েও পৰিমাৰ্জিত জীৱন-প্ৰণালীৰে মনুষ্যত্বক দেৱত্বলৈ উত্তৰণ ঘটায় আৰু দহৰ আদৰ্শ হৈ ধৰা দিয়ে।

'সাৰথি' নামৰ পুথিখনত লেখক সত্যনাথ বৰাদেৱে 'মনুষ্য জীৱনৰ লক্ষ্য' পাঠটোত উল্লেখ কৰিছে 'সংসাৰত উদ্‌গতি কৰাই মানুহৰ জীৱনৰ সংকল্প বা লক্ষ্য হোৱা উচিত।' তেখেতে কেনেধৰণৰ উদ্‌গতি কৰিব লাগে গোটেই পুথিখনত তাৰো বিস্তৃত ব্যাখ্যা দাঙি ধৰিছে। কথাশিল্পী হোমেন বৰগোহাঞিদেৱে 'উচ্চাকাংক্ষা' শীৰ্ষক সংকলনখনত লিখিছে 'প্ৰত্যেক মানুহৰ জীৱনৰ লক্ষ্য হোৱা উচিত এটা নহয়— দুটা। প্ৰথমটো লক্ষ্য হ'ল নিজৰ সহজাত প্ৰতিভা আৰু অভিৰুচিৰ লগত সংগতি ৰাখি এখন কৰ্মক্ষেত্ৰ বাছি লৈ তাত কৃতকাৰ্য হ'বলৈ চেষ্টা কৰা। দ্বিতীয়টো লক্ষ্য হ'ল সুকুমাৰ হৃদয়-বৃত্তি আৰু নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰি জীৱনত সুখ, শান্তি আৰু আনন্দ পাবলৈ চেষ্টা কৰা। এনেদৰে অসংখ্য উদ্ধৃতি দিব পৰা যায়। এটা কথা ঠিক মানুহে সন্তুষ্টিৰে আৰু পৰিপূৰ্ণভাৱে কটোৱাটোৱে জীৱনৰ উদ্দেশ্য। তাকে পাবলৈ হ'লে এনে কিছু কাম কৰিব লাগিব যিবোৰ সুনিয়ন্ত্ৰিত আৰু সুশৃংখলিত। অতি প্ৰাচীন কালৰে পৰা জীৱনক উৰ্ধ্বগামী গতিৰে কলাত্মক ৰূপত সজাই তোলা অলেখ ব্যক্তিৰ জীৱনে আমাক অফুৰন্ত প্ৰেৰণাৰে বাট দেখুৱাই আহিছে। শিল্পময় জীৱনৰ অধিকাৰীসকল চিৰনমস্য!

আজিৰ বিজ্ঞান-প্ৰযুক্তিৰ আধুনিক যুগত মানুহে বাৰু শান্তিৰে জীৱনটো যাপন কৰিব পাৰিছেনে? অত্যধিক ভোগ-লালসাৰ প্ৰলোভনৰ অগ্নিত দহি দহি মানুহে উদ্বেগপূৰ্ণ সময় অতিবাহিত কৰিবলগা হোৱা নাইনে! তাৰ মাজতো এনে বহু লোক আছে যিসকলে একাগ্ৰ সাধনাৰে জীৱনক সাৰ্থক কৰিব পাৰিছে। আমাৰ সমাজতে থকা এনে কিছু ব্যক্তিৰ ওচৰত শিৰ নত হয়। আমি আনক উপকাৰ কৰিব নোৱাৰিলেও অপকাৰ নকৰি, সত্য আৰু ন্যায়ৰ পথত থাকি উচিত-অনুচিত বিবেচনা কৰি এটা শান্ত জীৱন কটাবলৈ যত্ন কৰাৰ কথা নিশ্চয় ভাবিব পাৰো। জীৱনত ঘাত-প্ৰতিঘাত আহিবই, মাথোঁন সংযম আৰু ধৈৰ্যৰে তাৰ মুখামুখি হ'বলৈ সাজু থাকিব লাগিব। বৰ্তমান সমাজত চলি থকা অসামাজিক কাণ্ডবোৰৰ কাৰণ হিচাপে মানৱ জীৱনৰ মূল্য বুজি নোপোৱা, ক্ষমতাৰ লালসা, প্ৰচুৰ সম্পত্তিৰ লোভ আৰু অহংকাৰ বুলিয়ে ভাব হয়। প্ৰতিজন ব্যক্তিয়ে যদি নিজকে শান্ত-নিৰুদ্বেগ কৰি ৰাখিব পাৰিলেহেঁতেন তেতিয়াহ'লে আজিৰ এনে অসূয়া-অপ্ৰীতি, হত্যা-লুণ্ঠন আদি সমস্যাৰ উদ্ভৱ নহ'লহেঁতেন। গতিকে আমি এটা শান্ত পৰিৱেশ সৃষ্টিত আমাৰ জীৱনেৰে অকণমান অৰিহণা যোগাব নোৱাৰোনে? ■

# কু-অভ্যাস এক অভিশাপস্বৰূপ

হিমাজ্যোতি তালুকদাৰ


মানুহৰ অভ্যাস মূলতে দুই ধৰণৰ দেখিবলৈ পাওঁ— সু-অভ্যাস আৰু কু-অভ্যাস। সু-অভ্যাসৰ মানুহ সকলোৰে প্ৰিয়। আনহাতে কু-অভ্যাসৰ মানুহ আনৰ অপ্ৰিয় হৈ পৰে। মানুহৰ অভ্যাসে হৈছে মূল। এই অভ্যাসৰ ফলতে মানুহে নিজৰ স্বভাৱ, চৰিত্ৰ, আচৰণ গঢ় দিয়ে। অভ্যাসৰ দ্বাৰাই মানুহে সমাজত পৰিচয় পাই, কোনো ব্যক্তিৰ অভ্যাস সু-অভ্যাস নে কু-অভ্যাস সেই বিষয়ে আন ব্যক্তিয়ে পৰিচয় লাভ কৰাৰ পিছত সেই ব্যক্তিগৰাকীৰ লগত কেনে ধৰণৰ সম্পৰ্ক ৰক্ষা কৰি চলিব সেই বিষয়ে নিৰ্দিষ্ট কৰে।

ব্যক্তি এজন হঠাতে কু-স্বভাৱৰ হৈ নুঠে। সৰু-বৰ বদ কৰ্ম কৰি কৰিহে এদিন আত্মসন্মান হেৰাই যাবলগীয়া কৰ্ম কৰে। আমি সৰুতে কম-বেছি পৰিমাণে সকলোৱে এটা কাহিনী শুনা নিশ্চয় মনত আছে যে 'এগৰাকী মাতৃ আৰু তেওঁৰ একমাত্ৰ পুত্ৰই দুবেলা দুমুঠি খাই জীৱন নিৰ্বাহ কৰি আছিল। ল'ৰাজনৰ মাতৃয়ে লোকৰ ঘৰত কাম কৰি ল'ৰাজনৰ পঢ়া-শুনাৰ পৰা আদি কৰি প্ৰয়োজনীয় বস্তু যোগান ধৰিবলৈ যত্ন কৰিছিল; কিন্তু ল'ৰাজন ডাঙৰ হৈ অহাৰ লগে লগে কাৰোবাৰ ঘৰলৈ গ'লে সৰু-সুৰা এপদ-দুপদকৈ বস্তু হাতৰ টিপত ঘৰলৈ লৈ আহিবলৈ আৰম্ভ কৰিলে। ল'ৰাজনৰ মাতৃয়ে সকলো দেখিও ধেমেলীয়া কৰ্ম বুলি আওকাণ কৰিলে। এনেদৰে সময় বাগৰিল আৰু সেই ল'ৰাজন সুন্দৰ ডেকা হৈ উঠিল, ল'ৰাজনৰ লগতে তাৰ সৰুকালৰ বেয়া অভ্যাসটোও ডেকা হৈ উঠিল অৰ্থাৎ সৰুতে সৰু-সুৰা বস্তুৰ ঠাই এতিয়া ডাঙৰ ডাঙৰ বস্তু হ'ল। এদিনাখন সেই ল'ৰাজনে লোকৰ অতি মূল্যৱান সম্পদ চুৰি কৰি ধৰা পৰাত আজীৱন কাৰাদণ্ডৰ শাস্তি পালে। তেতিয়া ল'ৰাজনৰ মাতৃয়ে কান্দি কান্দি উপায়বিহীন হৈ উপলব্ধি কৰিলে যে তেওঁৰ ল'ৰাজনে সৰুতে ভুল কৰোঁতেই যদি চেকনীৰে দুই কোব লগাই ভাল শিক্ষা প্ৰদান কৰিলেহেঁতেন তেনেহ'লে আজি জীয়াতু ভুগিব নালাগিলহেঁতেন।' এই কাহিনীটোৰ পৰা আমি ইয়াকে বুজিব পাৰো যে পিতৃ-মাতৃয়ে নিজ সন্তানক শিশু অৱস্থাৰ পৰাই উচিত শিক্ষা প্ৰদান কৰাটো অতি প্ৰয়োজনীয়। উচিত সময়ত উচিত জ্ঞানৰ পোহৰ নাপালে শিশু বিপথে পৰিচালিত হয়। এটি শিশুৰ কিবাকৈ যদি কু-অভ্যাস এটা গঢ়ি উঠে, তেনেহ'লে সেই কু-অভ্যাসটো আঁতৰাবলৈ বহু সময়ৰ প্ৰয়োজন হয় বা কেতিয়াবা কু-অভ্যাসটো আঁতৰাবলৈ অসম্ভৱ হৈ পৰে। কু-অভ্যাস মানুহৰ জীৱনৰ এটা অভিশাপ। কু-অভ্যাসে ব্যক্তিগৰাকীক ধ্বংস কৰাৰ লগতে সেই ব্যক্তিগৰাকীৰ সংসাৰখন বা পৰিয়ালটো ধ্বংস কৰি পেলায়। সেয়েহে কোনো ব্যক্তিৰ যদি অজানিতে/কালচক্ৰত পৰি কু-অভ্যাস গঢ়ি উঠে, তেনে অৱস্থাত ব্যক্তিগৰাকীয়ে অনতিপলমে সেই কু-অভ্যাস আঁতৰ কৰিবলৈ দেহেকেহে চেষ্টা কৰাৰ প্ৰয়োজন কাৰণ আমি জানো 'চেষ্টাৰ অসাধ্য একো নাই'। ■

# আনৰ উন্নতি হোৱা দেখিলে আমাৰ হিংসা ওপজে

শৈলেন কুমাৰ

সকলোৰে মনত উত্তৰ হোৱা এটা প্ৰশ্ন, মোৰ কিবা উন্নতি হোৱা দেখিলে বাকীবোৰে জ্বলি-পুৰি মৰে তেনেকুৱা অনুভৱ প্ৰায়ভাগেই নহয়নে বাৰু? ওচৰ-চুবুৰীয়াৰ এজনে এখন দামী গাড়ী কিনিছে আৰু ৰাস্তাত চলাইছে কিন্তু গাড়ীখন যেন আপোনাৰ বুকুৰ মাজভাগেৰে চলিছে, অসহনীয় বেদনা। কোনোবা সহপাঠীৰ কৰ্মত পদোন্নতি হৈছে, দেহাটো একদম পুৰি ছাই যেন হৈছে। অমুকাই ডাঙৰ অট্টালিকা বনাইছে, অমুকাৰ ল'ৰা-ছোৱালী বিদেশত ডাক্তৰ পঢ়ি আছে ইত্যাদি। আৰু কিমান যে দুখ-বেদনাই আমাক দিনৰ দিনটো ভাৰাক্ৰান্ত কৰি ৰাখে। যেন সকলোতে একপ্ৰকাৰ খোৱা-কামোৱাহে লাগিছে। কেতিয়াবা আপুনি আনক চাবলৈ এৰি নিজক চাই পাইছেনে? কেতিয়াবা আপুনি ভাবি চাইছেনে আপুনি আজি যিটো অৱস্থানত আছে তাতকৈও যে কোনোবাই দুৰ্বিষহ জীৱন কটাই আছে। আপোনাৰ অহংকাৰে আপোনাক সন্তুষ্ট হ'বলৈ অথবা সৰু হৈ ভাবি চাবলৈ অনুমতি নিদিয়ে। একতা আমাৰ মুঠেই প্ৰিয় নহয়, মানৱীয় দৃষ্টিভংগী আমি কেতিয়াবাই পাহৰিছো। এতিয়া কেৱল স্বাৰ্থপৰতাৰ অন্ধ যুঁজ কেওফালে। আমাৰ সন্তুষ্টি ক'ত? ওচৰ-চুবুৰীয়া আৰু সহপাঠীসকলৰ ওপৰত কেনেকৈ থাকিব পাৰো সেয়া আমাৰ সন্তুষ্টিৰ পৰম চিন্তা। আনক কেনেকৈ নিন্দা, পৰচৰ্চা, নিৰ্যাতন কৰি দমন কৰিব পাৰি আদি চিন্তাই মূৰত খুন্দিয়াই থাকে নহয়নে আৰু যদি আপোনাৰ কুকাৰ্যত কেনেবাকৈ সফলতা পালে তেতিয়াতো আপুনি স্বঘোষিত ৰজা হৈ পৰে ৰাতিৰ ভাতগৰাহ বেছিকৈ আৰু তৃপ্তিৰে গ্ৰহণ কৰে। আমি সম্ভ্ৰান্ত ঘৰৰ সংস্কাৰ থকা মানুহ বেয়া কথা চিন্তা কৰা তথা আনৰ বেয়া হোৱাটো বিচৰাবিধৰ মানুহ আমি নহয় দেই। সমাজত আমাৰ মান-সন্মান আছে। আপুনি এজন ভাল অভিনেতা হ'ব পাৰে, ভদ্ৰতাৰ মুখাপিন্ধা আপোনাৰ ভিতৰচ'ৰাত কিমান আৱৰ্জনা সোমাই আছে, দুখীয়া তথা আপোনাৰ তলতীয়াসকলক আপুনি কি ব্যৱহাৰ কৰে, কি দৃষ্টিৰে চাই সেইবোৰ কথা নক'লেও হ'ব। ভদ্ৰতাৰ মুখাপিন্ধা সম্ভ্ৰান্ত পুঁজিপতিসকলৰ ভোগ আৰু কামনাৰ বলি আজিৰ সমাজ, জগত তথা দুখীয়া নিৰীহ জনতা। নিজক শ্ৰেষ্ঠতম সজোৱাৰ দৌৰত, সকলোৰে লগত প্ৰতিযোগিতা কৰি আমি কি হেৰুৱাইছো আমি নিজেই নাজানো। মানুহ হৈ আমি মানৱতা পাহৰি পেলাইছো। আনৰ লগত প্ৰতিযোগিতা কৰিবলৈ গৈ আমি নিজস্ব সম্ভাৱনাৰ পৰা বঞ্চিত হৈছো। আমাৰ যদি সম্ভাৱনা আছিল হিমালয় বগোৱাৰ, আমাৰ যদি সম্ভাৱনা আছিল বিশ্বদৰবাৰত উজ্জ্বলিত হোৱাৰ আমি ক্ষুদ্ৰ ওচৰ-চুবুৰীয়া আৰু সহপাঠীসকলক নিজৰ বৰ্বৰতা দেখুৱায়ে ক্ষান্ত হৈ থাকিলো। ক্ষুদ্ৰ ক্ষুদ্ৰ যুঁজত আমি মহাবীৰ পৰাক্ৰমী কিন্তু জীৱনৰ আচল যুদ্ধত পাৰদৰ্শিতা দেখুৱাবলৈ আমাৰ সৎ সাহস নাই। সমাজত প্ৰচলিত সহজলভ্য জীৱনক সৎ পথ নেদেখুৱা পদ্ধতিৰ অনুসৰণ কৰিবলৈ সহজ কিন্তু সোঁতৰ বিপৰীতে গৈ ব্যতিক্ৰম পন্থাৰে নিজক উজ্জ্বলিত কৰাটো বৰ কঠিন আৰু কণ্টকময় যেন লাগে। ■



সপ্তম পৃষ্ঠাৰ পৰা ঃ —

# ‘বন্দে মাতৰম্’- ভাৰতীয় জাতীয়

চনৰ এপ্ৰিল মাহত পূববংগৰ বৰিশালত অনুষ্ঠিত বংগ প্ৰাদেশিক সন্মিলনত ৰাজহুৱাভাৱে ‘বন্দে মাতৰম্’ গোৱাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হয় আৰু অৱশেষত সন্মিলনখনো বন্ধ কৰি দিয়া হয়। কিন্তু প্ৰতিনিধিসকলে ঔপনিৱেশিক নিৰ্দেশ অমান্য কৰি ‘বন্দে মাতৰম্’ ধ্বনি অব্যাহত ৰাখে আৰু আৰক্ষীৰ দমন-পীড়নৰ সন্মুখীন হয়। ১৯০৭ চনৰ মে’ মাহতো লাহোৰৰ যুৱ প্ৰতিবাদকাৰীসকলে ৰাৱালপিণ্ডিত স্বদেশী নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত ‘বন্দে মাতৰম্’ শ্ল’গান ধ্বনি দিয়ে।

‘বন্দে মাতৰম্’ৰ প্ৰভাৱ ভাৰতৰ সীমা অতিক্ৰম কৰিও বিস্তৃত ৰূপত প্ৰতিফলিত হৈছিল। ১৯০৭ চনত মেডাম ভিকাজী কামাই জাৰ্মানীৰ ষ্টুটগাৰ্টত ভাৰতৰ বাহিৰত প্ৰথমবাৰৰ বাবে ত্ৰিৰংগ পতাকা উত্তোলন কৰে। সেই পতাকাত দেৱনাগৰী লিপিত সোণালী আখৰেৰে ‘বন্দে মাতৰম্’ শব্দযুগল অংকিত আছিল। একেদৰে, ১৯০৯ চনত মদনলাল ধিংৰাক ফাঁচী দিয়াৰ পূৰ্বে তেওঁৰ শেষ উচ্চাৰণ হিচাপেও ‘বন্দে মাতৰম্’ৰ উল্লেখ পোৱা যায়। সেই সময়ছোৱাতে পেৰিছত থকা ভাৰতীয় দেশপ্ৰেমীসকলে জেনেভাৰ পৰা ‘বন্দে মাতৰম্’ নামৰ এখন আলোচনী প্ৰকাশৰ উদ্যোগ গ্ৰহণ কৰে। ‘বন্দে মাতৰম্’ৰ জনপ্ৰিয়তা কেৱল বিপ্লৱী আৰু প্ৰতিবাদকাৰীসকলৰ মাজতেই সীমাবদ্ধ নাছিল। ১৯১২ চনৰ অক্টোবৰ মাহত গোপাল কৃষ্ণ গোখলে দক্ষিণ আফ্ৰিকাৰ কেপটাউনত উপস্থিত হোৱাৰ সময়তো এক বিশাল শোভাযাত্ৰাই ‘বন্দে মাতৰম্’ ধ্বনিৰে তেওঁক আদৰণি জনাইছিল। এনেভাৱেই ব্ৰিটিছৰ ‘ভাগ কৰা আৰু শাসন কৰা’ কুটিল নীতিৰ বিৰুদ্ধে ধৰ্ম, বৰ্ণ, ভাষা আৰু অঞ্চল নিৰ্বিশেষে সমগ্ৰ দেশবাসী যেতিয়া ৰাজপথলৈ ওলাই আহিছিল, তেতিয়া এই গীতটিয়েই আছিল সাংস্কৃতিক আৰু মানসিক ঐক্যৰ প্ৰধান সেতু।

বিপ্লৱী সংগ্ৰামৰ ক্ষেত্ৰতো এই গীতৰ প্ৰভাৱ আছিল অসীম। খুদিৰাম বসু, প্ৰফুল্ল চাকী, ভগৎ সিং, ৰাজগুৰু, সুখদেৱ, সূৰ্য সেন, আশফাকউল্লা খান আৰু মাতংগিনী হাজৰাৰ দৰে অসংখ্য অমৰ শ্বহীদে ব্ৰিটিছৰ ফাঁচীৰ মঞ্চত উঠি আনন্দৰে ‘বন্দে মাতৰম্’ উচ্চাৰণ কৰি দেশৰ বাবে প্ৰাণ আহুতি দিছিল। গীতটোৰ অনবদ্য জনপ্ৰিয়তা আৰু ক্ৰান্তিকাৰী প্ৰভাৱত আতংকিত হৈ ব্ৰিটিছ চৰকাৰে বহু ঠাইত ইয়াৰ ৰাজহুৱা উচ্চাৰণ আৰু গোৱাটো আইনগতভাৱে নিষিদ্ধ কৰিছিল। কিন্তু উপনিৱেশবাদী দমন-পীড়ন, লাঠী চালনা বা কাৰাদণ্ডই ভাৰতীয় মুক্তিকামী জনতাৰ কণ্ঠ স্তব্ধ কৰিব পৰা নাছিল। বৰং নিষিদ্ধ হোৱাৰ পাছত এই গীতৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ আৰু দেশভক্তিৰ বহ্নি আৰু অধিক তীব্ৰতৰ হৈ পৰিছিল।

‘বন্দে মাতৰম্’ৰ জনপ্ৰিয়তা কেৱল ৰাজনৈতিক সভা-সমিতিতে সীমাবদ্ধ হৈ থকা নাছিল, ই বিয়পি পৰিছিল সাহিত্য, সাংবাদিকতা, চলচ্চিত্ৰ আৰু জাতীয় প্ৰতীকসমূহলৈও। ১৯০৬ চনৰ আগষ্ট মাহত বিপিন চন্দ্ৰ পালৰ সম্পাদনাত ‘বন্দে মাতৰম্’ শীৰ্ষক এখন ইংৰাজী দৈনিক কাকত মুকলি কৰা হৈছিল, য’ত পৰৱৰ্তী সময়ত শ্ৰীঅৰবিন্দই যুটীয়া সম্পাদক হিচাপে যোগদান কৰিছিল। একেদৰে লাহোৰৰ পৰা পঞ্জাৱ কেশৰী লালা লাজপত ৰায়ে ‘বন্দে মাতৰম্’ নামৰ এখন বিশিষ্ট উৰ্দু সাময়িক পত্ৰ সম্পাদনা কৰি প্ৰকাশ কৰিছিল। ১৯০৫ চনত হীৰালাল সেনে নিৰ্মাণ কৰা ভাৰতৰ প্ৰথম ৰাজনৈতিক তথ্যচিত্ৰখনো এই গীতৰ ধ্বনি আৰু সুৰেৰে সামৰণি মৰা হৈছিল। ১৯০৯ চনত শ্ৰীঅৰবিন্দই এই গীতৰ ইংৰাজী অনুবাদ কৰিছিল— ‘Mother, I Bow to Thee!’, যিটো আন্তৰ্জাতিক পৰ্যায়ত অত্যন্ত সমাদৃত হৈছিল। ২০০২ চনত বি বি চি ৱৰ্ল্ড ছাৰ্ভিচে অনুষ্ঠিত কৰা এক আন্তৰ্জাতিক সমীক্ষাত এ. আৰ. ৰহমানে সুৰাৰোপ আৰু পৰিৱেশন কৰা ‘বন্দে মাতৰম্’এ বিশ্বৰ সৰ্বকালৰ অন্যতম জনপ্ৰিয় গীত হিচাপে স্থান লাভ কৰে।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে সুদীৰ্ঘ পৰাধীনতাৰ অন্ত পেলাই স্বাধীনতা লাভ কৰাৰ পাছত, সংবিধান সভাত স্বাধীন দেশৰ বাবে ৰাষ্ট্ৰীয় সংগীত আৰু ৰাষ্ট্ৰীয় গীত চয়ন কৰাৰ উদ্দেশ্যে দীঘলীয়া আলোচনা অনুষ্ঠিত হয়। অৱশেষত ১৯৫০ চনৰ ২৪ জানুৱাৰীত সংবিধান সভাৰ অন্তিম বৈঠকত সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে এক ঐতিহাসিক ঘোষণাৰে-ৰবীন্দ্ৰনাথ ঠাকুৰৰ ‘জন গণ মন’ক ভাৰতৰ আনুষ্ঠানিক জাতীয় সংগীত হিচাপে আৰু বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ ‘বন্দে মাতৰম্’ক জাতীয় গীত (ৰাষ্ট্ৰীয় সংগীত) হিচাপে গ্ৰহণ কৰা হয়।

১৮৭৫ চনৰ পৰা ২০২৫-২৬ চনলৈ ‘বন্দে মাতৰম্’ৰ এই ডেৰশতিকাজোৰা ঐতিহাসিক যাত্ৰা কেৱল অতীতৰ কোনো কাব্যিক সৃষ্টিৰ কাহিনী নহয়। ই হ’ল ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ আত্মাৰ ইতিহাস। পৰিশেষত ক’ব পাৰি যে, কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত ‘বন্দে মাতৰম্’ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে ২০২৫ চনৰ ৭ নৱেম্বৰৰ পৰা ২০২৬ চনৰ ৭ নৱেম্বৰলৈকে বছৰজোৰা ৰাষ্ট্ৰীয় উদ্‌যাপন অনুষ্ঠিত কৰি থকা হৈছে। কেন্দ্ৰীয় কেবিনেটে এই উদ্‌যাপনত বিশেষকৈ যুৱ প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীক সম্পৃক্ত কৰি গীতটোৰ ঐতিহাসিক তাৎপৰ্য, দেশপ্ৰেম আৰু জাতীয় চেতনাৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত মতে, দেশজুৰি ‘বন্দে মাতৰম্’ৰ সম্পূৰ্ণ সংস্কৰণৰ সমূহীয়া গীত পৰিৱেশনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। চৰকাৰী কাৰ্যালয়, শিক্ষা প্ৰতিষ্ঠান আৰু বিভিন্ন সংগঠনত সমূহীয়া গীত, সাংস্কৃতিক অনুষ্ঠান, আলোচনা, প্ৰদৰ্শনী আৰু জনসাধাৰণৰ অংশগ্ৰহণমূলক কাৰ্যসূচী অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হৈছে। বিশেষকৈ যুৱসমাজক গীতটোৰ ৰাষ্ট্ৰপ্ৰেম, ঐক্য, ত্যাগ আৰু স্বাধীনতা আন্দোলনৰ ঐতিহ্যৰ সৈতে সংযুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। যিবোৰ শব্দই বিভাজিত আৰু নিদ্ৰিত হৈ থকা এটা জাতিক বিশ্বৰ আটাইতকৈ শক্তিশালী ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে থিয় হ’বলৈ অফুৰন্ত সাহস দিছিল, সেই ‘বন্দে মাতৰম্’ আজিও প্ৰতিজন ভাৰতীয়ৰ হৃদয়ত সমানেই উজ্জীৱিত হৈ আছে। ‘বন্দে মাতৰম্’ আমাৰ গৌৰৱময় ইতিহাসৰ প্ৰেৰণাদায়ী অধ্যায় আৰু অনাগত ভৱিষ্যতলৈকে ভাৰতৰ ঐক্য, অখণ্ডতা, সাৰ্বভৌমত্ব আৰু জাতীয় স্বাভিমান ৰক্ষা কৰাৰ এক অমৰ, চিৰপ্ৰভাৱশালী আলোকস্তম্ভ হিচাপে প্ৰবাহিত হৈ থাকিব। ■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# বিশ্ব পৰ্যটনৰ মানচিত্ৰত অসম

কৰিছে। ইয়াৰ উপৰি, ‘ফুড টুৰিজিম’ বা খাদ্য পৰ্যটন বৰ্তমান সময়ৰ এক জনপ্ৰিয় ধাৰা হৈ পৰিছে। অসমীয়া থলুৱা খাদ্য— যেনে হাঁহৰ মাংসৰ সৈতে কোমোৱা, পাৰ মাংস, বাঁহগাজ, খাৰ আৰু জহা চাউলৰ সুবাসে দেশ-বিদেশৰ ফুড ব্ল’গাৰ আৰু পৰ্যটকক অসমলৈ টানি আনিছে। গ্ৰাম্য পৰ্যটনৰ জৰিয়তে অসমৰ গাঁৱৰ সৰল জীৱন-যাপন, তাঁতশালৰ খটখটনি আৰু বিহুৰ উলাহৰ প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিবলৈ পৰ্যটকসকল বৰ্তমান অধিক আগ্ৰহী।

যিকোনো স্থানৰ পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে চৰকাৰী সদিচ্ছা আৰু সবল আন্তঃগাঁথনি অপৰিহাৰ্য। পৰিসংখ্যা অনুসৰি, মহামাৰীৰ পৰৱৰ্তী সময়ত অসমলৈ পৰ্যটকৰ আগমন অভুতপূৰ্বভাৱে বৃদ্ধি পাইছে। ২০২১-২২ বৰ্ষৰ প্ৰায় ১৭ লাখ পৰ্যটকৰ পৰা বৃদ্ধি পাই শেহতীয়াকৈ এই সংখ্যাই প্ৰায় এক কোটিৰ ঘৰ স্পৰ্শ কৰিছেহি। এই বৃহৎসংখ্যক পৰ্যটকক সঠিক আৰু উন্নতমানৰ সেৱা প্ৰদান কৰিবলৈ চৰকাৰেও বিভিন্ন নীতিগত সংস্কাৰ সাধন কৰিছে। শেহতীয়াকৈ ২০২৬ চনৰ জুন মাহত অসম কেবিনেটে অনুমোদন জনোৱা ‘অসম পৰ্যটন আবাস (উন্নয়ন আৰু পঞ্জীয়ন) নিয়ম, ২০২৬’ এই ক্ষেত্ৰত এক অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। এই নতুন নিয়মৰ অধীনত হোটেল, ৰিজৰ্ট, হোমষ্টে আৰু ঐতিহ্যমণ্ডিত আবাসসমূহৰ পঞ্জীয়নৰ বাবে Single-window ব্যৱস্থাৰ সূচনা কৰা হৈছে। ইয়াৰ লগতে প্ৰতি তিনি বছৰৰ মূৰে মূৰে স্বয়ংক্ৰিয় নৱীকৰণৰ ব্যৱস্থাও কৰা হৈছে। ইয়াৰ ফলত পৰ্যটন খণ্ডত ‘ব্যৱসায়িক সুচলতা’ বৃহৎ পৰিমাণে বৃদ্ধি পোৱাৰ লগতে নতুন বিনিয়োগকাৰী আৰু থলুৱা যুৱক-যুৱতীসকল হোমষ্টে বা ৰিজৰ্টৰ দৰে ব্যৱসায়ত ধন বিনিয়োগ কৰিবলৈ উৎসাহিত হৈছে। ইয়াৰ উপৰি যাতায়াত ব্যৱস্থাৰ দ্ৰুত উন্নয়ন পৰ্যটনৰ বাবে এক ইতিবাচক দিশ। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণ, প্ৰস্তাৱিত গুৱাহাটী ৰিং ৰোড, ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণাধীন নতুন দলংসমূহ আৰু ৰাজ্যজুৰি গঢ়ি উঠা উন্নত ঘাইপথে পৰ্যটকৰ যাতায়াতৰ সময় বহু পৰিমাণে হ্ৰাস কৰিছে। স্বাচ্ছন্দ্য আৰু নিৰাপত্তাই যিকোনো পৰ্যটন কেন্দ্ৰৰ প্ৰাথমিক চৰ্ত আৰু অসমে এই দিশত ক্ষিপ্ৰতাৰে নিজৰ আন্তঃগাঁথনি সজাই তুলিছে। এই সকলোবোৰ ইতিবাচক খবৰ আৰু উল্লাসৰ মাজতো এগৰাকী সজাগ নাগৰিক হিচাপে আমি কিছুমান বাস্তৱিক প্ৰত্যাহ্বানৰ পৰা চকু আঁতৰাব নোৱাৰো। ‘বিশ্বৰ দৰবাৰত অসম জিলিকিবনে?’ এই প্ৰশ্নটোৰ সঠিক উত্তৰ বিচাৰিবলৈ গ’লে আমি আমাৰ ত্ৰুটিসমূহো মুকলিকৈ আলোচনা কৰিব লাগিব। প্ৰথম আৰু প্ৰধান সমস্যাটো হ’ল— দুৰ্গম অঞ্চলসমূহৰ যাতায়াত ব্যৱস্থা বা ‘লাষ্ট-মাইল কানেক্টিভিটি’। ৰাজ্যৰ ঘাইপথসমূহৰ উন্নতি হৈছে যদিও বহুতো সম্ভাৱনাময় আৰু প্ৰাকৃতিকভাৱে চহকী পৰ্যটনস্থলীলৈ যোৱাৰ সৰু পথসমূহ এতিয়াও উন্নত হোৱা নাই। উদাহৰণস্বৰূপে, ডিমা হাচাওৰ মনোমোহা পাহাৰীয়া অঞ্চল, কাৰ্বি আংলঙৰ জলপ্ৰপাতসমূহ বা উজনি অসমৰ ভিতৰুৱা ঐতিহ্যমণ্ডিত গাঁৱলৈ যোৱাৰ পথসমূহ বৰষুণৰ দিনত প্ৰায় দুৰ্গম হৈ পৰে। ইয়াৰ ফলত এই স্থানসমূহলৈ যাব বিচৰা পৰ্যটকসকলে নিৰাশ হৈ উভতিবলগা হয়। দ্বিতীয়টো ডাঙৰ প্ৰত্যাহ্বান হ’ল আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিপণন আৰু ব্ৰেণ্ডিং। কেৰালাই যিদৰে ‘God's Own Country’ বুলি বিশ্বজুৰি নিজৰ পৰ্যটনৰ সুপৰিকল্পিত ব্ৰেণ্ডিং কৰিছে বা ৰাজস্থানে যিদৰে তেওঁলোকৰ ৰাজকীয় ঐতিহ্যক প্ৰচাৰ কৰিছে, সেই পৰ্যায়ৰ এক আক্ৰমণাত্মক আৰু নিৰন্তৰ প্ৰচাৰ অভিযানৰ অভাৱ অসমত আজিও অনুভৱ কৰা যায়। Awesome Assam শ্ল’গানটোৱে এক যোগাত্মক প্ৰভাৱ পেলাইছে যদিও ইয়াক বিশ্বৰ আগশাৰীৰ পৰ্যটন মেলাসমূহত আৰু আন্তঃৰাষ্ট্ৰীয় ডিজিটেল প্লেটফ'ৰ্মত অধিক আকৰ্ষণীয়ভাৱে উপস্থাপন কৰাৰ প্ৰয়োজন আছে। কেৱল এটা চৰকাৰী বিজ্ঞাপনতেই পৰ্যটনৰ প্ৰচাৰ আবদ্ধ নাথাকি, আন্তঃৰাষ্ট্ৰীয় ট্ৰেভেল এজেন্সিসমূহৰ সৈতে কৌশলগত অংশীদাৰিত্ব গঢ়ি তোলাটো বৰ্তমান সময়ৰ দাবী। তৃতীয় আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ’ল ‘বহনক্ষম পৰ্যটন’ বনাম ‘অভাৰ টুৰিজিম’। পৰ্যটকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ লগে লগে কাজিৰঙা, মাজুলী আৰু শেহতীয়াকৈ বিশ্ব ঐতিহ্যৰ স্বীকৃতি পোৱা চৰাইদেউৰ দৰে স্পৰ্শকাতৰ স্থানসমূহত পৰিৱেশৰ দ্ৰুত অৱনতি ঘটাৰ আশংকা প্ৰকট হৈ পৰিছে। পৰ্যটকৰ দ্বাৰা সৃষ্ট প্লাষ্টিকৰ আৱৰ্জনা, যান-বাহনৰ মাত্ৰাধিক শব্দ, আবাসিক প্ৰকল্পৰ বাবে কটা যোৱা গছ-গছনি আৰু অতিৰিক্ত মানুহৰ সমাগমে এই স্থানসমূহৰ প্ৰাকৃতিক আৰু ঐতিহাসিক ভাৰসাম্য বিনষ্ট কৰিব পাৰে। সেয়েহে আমাৰ লক্ষ্য কেৱল পৰ্যটকৰ পৰিসংখ্যা বৃদ্ধি কৰাই নহয়, বৰঞ্চ ‘ভলিউম’তকৈ ‘ভেল্যু’ৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা উচিত। অৰ্থাৎ আমি এনে পৰ্যটকক আকৰ্ষণ কৰাত গুৰুত্ব দিব লাগিব যিয়ে আমাৰ পৰিৱেশ আৰু সংস্কৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে আৰু স্থানীয় অৰ্থনীতিলৈ যোগাত্মক বৰঙণি আগবঢ়ায়।

অসম আজি পৰ্যটন ক্ষেত্ৰত এক ঐতিহাসিক আৰু নিৰ্ণায়ক সন্ধিক্ষণত থিয় দিছে। যাতায়াতৰ ক্ৰমবৰ্ধমান উন্নতি, আন্তঃগাঁথনিৰ বিকাশ, পৰ্যটনৰ বৈচিত্ৰ্যকৰণ, বিশ্ব ঐতিহ্যৰ স্বীকৃতি আৰু চৰকাৰী সদিচ্ছা এই সকলোবোৰ ইতিবাচক উপাদানেই এতিয়া আমাৰ হাতত মজুত আছে। ইউৰোপীয় সংঘৰ দৰে সংস্থাই সতৰ্কবাণী প্ৰত্যাহাৰ কৰা আৰু ইউনেস্ক’ৰ দৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চই আমাৰ ঐতিহ্যক স্বীকৃতি দিয়া কাৰ্যই প্ৰমাণ কৰে যে বিশ্বই অসমক আঁকোৱালি ল’বলৈ সম্পূৰ্ণৰূপে প্ৰস্তুত। কিন্তু এই সোণালী সুযোগৰ সঠিক সদ্ব্যৱহাৰ কৰিবলৈ হ’লে আমি সকলোৱে মিলি এক সমন্বিত আৰু সুদূৰপ্ৰসাৰী প্ৰয়াস কৰিব লাগিব। পৰ্যটন কেৱল চৰকাৰ বা এটা বিভাগৰ দায়িত্ব নহয়। পৰ্যটন বিভাগ, স্থানীয় প্ৰশাসন, ব্যক্তিগত খণ্ডৰ বিনিয়োগকাৰী আৰু আটাইতকৈ গুৰুত্বপূৰ্ণভাৱে অসমৰ সাধাৰণ ৰাইজ, প্ৰতিগৰাকী ব্যক্তিয়ে মিলি এক অতিথিপৰায়ণ, পৰিষ্কাৰ আৰু সুৰক্ষিত পৰিৱেশ গঢ়ি তুলিব লাগিব। অসমৰ পৰ্যটন উদ্যোগ কেৱল ৰাজহ উপাৰ্জনৰ আহিলাই নহয়, ই হ’ব পাৰে আমাৰ ভাষা, কৃষ্টি, সংস্কৃতি আৰু প্ৰকৃতিৰ সংৰক্ষণৰ এক আটাইতকৈ শক্তিশালী মাধ্যম। যদি আমি আমাৰ দুৰ্বলতাসমূহ আঁতৰ কৰি এক সুচিন্তিত পৰিকল্পনাৰে, থলুৱা লোকৰ নিয়োগ বৃদ্ধি কৰি আৰু পৰিৱেশৰ প্ৰতি চৰম দায়বদ্ধতা ৰাখি আগবাঢ়িব পাৰো, তেন্তে নিঃসন্দেহে ক’ব পাৰি পৰ্যটনৰ এই বিশাল সম্ভাৱনাৰে আমাৰ অসম অতি কম সময়ৰ ভিতৰতে বিশ্বৰ দৰবাৰত এক উজ্জ্বল আৰু স্বকীয় নক্ষত্ৰৰ দৰে জিলিকি উঠিব। প্ৰয়োজন কেৱল নিষ্ঠা, সঠিক পৰিকল্পনা আৰু নিৰন্তৰ প্ৰচেষ্টাৰ। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# নতুন প্ৰজন্ম-অসমীয়া ভাষাৰ ভৱিষ্যৎ

নিজৰ মাতৃভাষাত কথা ক'বলৈ লাজ বা সংকোচ অনুভৱ কৰা এই হীনমান্যতা আমাৰ সমাজৰ বাবে এক দুৰাৰোগ্য ব্যাধি স্বৰূপ। যেতিয়া এটা জাতিৰ নতুন প্ৰজন্মই নিজৰ ভাষাক লৈ গৌৰৱ কৰিবলৈ পাহৰি যায়, তেতিয়া সেই জাতিৰ পতন অনিবাৰ্য হৈ পৰে। আচলতে আধুনিকতা মানে নিজৰ শিপা কাটি পেলোৱা নহয়; বৰঞ্চ নিজৰ ঐতিহ্য আৰু সংস্কৃতিৰ ভেটিত সবলভাৱে থিয় দি বিশ্বৰ সৈতে খোজ মিলোৱাহে প্ৰকৃত আধুনিকতা।

আমাৰ নৱপ্ৰজন্মক এই কথাটো বুজাই দিয়াৰ নৈতিক দায়িত্ব জ্যেষ্ঠচামৰ। কিন্তু পৰিতাপৰ বিষয় যে আমাৰ জ্যেষ্ঠচামৰ একাংশয়ো এইক্ষেত্ৰত সঠিক পথ প্ৰদৰ্শন কৰিবলৈ ব্যৰ্থ হৈছে। তেওঁলোকেও বজাৰৰ সোঁতত উটি গৈ নিজৰ সন্তানক কেৱল কেৰিয়াৰকেন্দ্ৰিক শিক্ষাৰে শিক্ষিত কৰিবলৈ গৈ ভাষা আৰু সংস্কৃতিৰ পাঠ দিয়াৰ পৰা বিৰত আছে।

আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল অসমীয়া সাহিত্য আৰু শৈক্ষিক পাঠ্যক্ৰমৰ বিৱৰ্তন তথা প্ৰাসংগিকতা। নতুন প্ৰজন্মক ভাষাটোৰ প্ৰতি আকৰ্ষিত কৰিবলৈ হ'লে তেওঁলোকৰ মানসিকতা আৰু ৰুচিৰ লগত খাপ খোৱাকৈ সাহিত্য সৃষ্টি হ'ব লাগিব। কেৱল অতীতৰ গৌৰৱগাথা আৰু পুৰণি সাহিত্যৰ চৰ্চাৰে নৱপ্ৰজন্মক ধৰি ৰাখিব নোৱাৰি। বিশ্ব সাহিত্যৰ দৰেই অসমীয়া সাহিত্যতো বিজ্ঞানমনস্কতা, থ্ৰিলাৰ, কল্পবিজ্ঞান, গৱেষণামূলক তথা আধুনিক চিন্তা-চেতনাৰ প্ৰতিফলন ঘটিব লাগিব। বৰ্তমানৰ শিশু সাহিত্য বা কিশোৰ সাহিত্যই তেওঁলোকক কিমান দূৰ আকৰ্ষণ কৰিব পাৰিছে, সেয়া এক গুৰুতৰ বিচাৰ্য বিষয়। বিদ্যালয়ৰ পাঠ্যক্ৰমবোৰতো অসমীয়া ভাষা শিক্ষাক আনন্দদায়ক আৰু সৃষ্টিশীল কৰাৰ পৰিৱৰ্তে এক বোজা হিচাপে জাপি দিয়া যেন অনুভৱ হয়। ফলস্বৰূপে, ছাত্ৰ-ছাত্ৰীসকলে কেৱল পৰীক্ষাত নম্বৰ পোৱাৰ স্বাৰ্থত ভাষাটো পঢ়ে যদিও অন্তৰৰ পৰা ভাল পাব নোৱাৰে। এই যান্ত্ৰিক শিক্ষা ব্যৱস্থাই ভাষাৰ প্ৰতি থকা স্বাভাৱিক মৰম আৰু জনাৰ আগ্ৰহক হত্যা কৰিছে। আমি মনত ৰখা উচিত যে ভাষাক কেৱল শ্ৰেণীকোঠাৰ চাৰিবেৰৰ মাজত আবদ্ধ ৰাখিলে সি কেতিয়াও প্ৰাণৱন্ত হৈ থাকিব নোৱাৰে; ই হ'ব লাগিব জীৱনৰ সৈতে সম্পৃক্ত।

অসমৰ জনগাঁথনিৰ দ্ৰুত পৰিৱৰ্তনো ভাষাৰ ভৱিষ্যতৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছে। বিভিন্ন ভাষা-ভাষী লোকৰ আগমনে আমাৰ সমাজত এক মিশ্ৰিত সংস্কৃতিৰ সৃষ্টি কৰিছে। এই সংমিশ্ৰণত যাতে অসমীয়া ভাষাৰ স্বকীয়তা আৰু আধিপত্য হেৰাই নাযায়, তাৰ বাবে চৰম সচেতনতাৰ প্ৰয়োজন। নতুন প্ৰজন্মই এই পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে খাপ খুৱাই লওঁতে কেতিয়াবা অজ্ঞাতসাৰে নিজৰ ভাষাৰ শুদ্ধ ৰূপটো বিকৃত কৰি পেলায়। বজাৰৰ ভাষা বা এক বিশেষ ধৰণৰ সংমিশ্ৰিত ভাষাৰ আগ্ৰাসনে অসমীয়া ভাষাৰ গঠন, উচ্চাৰণ আৰু ব্যাকৰণক আঘাত কৰিছে। ইয়াৰ ফলত সৃষ্টি হৈছে এক নতুন ধৰণৰ খিচিৰি ভাষা, যিটো না সম্পূৰ্ণ অসমীয়া, না আন কোনো ভাষা। এই ধাৰা অব্যাহত থাকিলে ভৱিষ্যতত মূল অসমীয়া ভাষাটোক এক উপভাষালৈ অৱনমিত কৰাৰ আশংকা নথকা নহয়। সেয়েহে, নতুন প্ৰজন্মক শুদ্ধ আৰু মান্য অসমীয়া ভাষাৰ চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তোলাটো সময়ৰ এক গুৰুত্বপূৰ্ণ দাবী। ভাষাৰ ক্ৰমবিকাশ স্বাভাৱিক, কিন্তু বিকাৰ কেতিয়াও গ্ৰহণযোগ্য নহয়।

ভাষা এটা সজীৱ হৈ থাকিবলৈ হ'লে ইয়াৰ শব্দভাণ্ডাৰ কালানুক্ৰমে চহকী হ'ব লাগিব। আধুনিক বিজ্ঞান, প্ৰযুক্তি আৰু বিশ্বায়নৰ লগত তাল মিলাবলৈ অসমীয়া ভাষাত নতুন নতুন শব্দৰ সংযোজন আৰু গ্ৰহণ হোৱাটো অত্যন্ত জৰুৰী; কিন্তু আমাৰ নৱপ্ৰজন্মই নতুন শব্দ সৃষ্টি কৰা বা অসমীয়া প্ৰতিশব্দ বিচাৰি উলিওৱাতকৈ ইংৰাজী শব্দৰ পোনপটীয়া ব্যৱহাৰতহে বেছি স্বাচ্ছন্দ্যবোধ কৰে। ইয়াৰ ফলত অসমীয়া ভাষাত পাৰিভাষিক শব্দৰ চৰম অভাৱ ঘটিছে। যদি আমি চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক বিদ্যা, অৰ্থনীতি বা মহাকাশ বিজ্ঞানৰ দৰে জটিল বিষয়সমূহ অসমীয়া ভাষাত সাৱলীলভাৱে আলোচনা কৰিব নোৱাৰো, তেন্তে এই ভাষাটো কেৱল গল্প-কবিতাৰ আৱেগিক জগতখনৰ মাজতে সীমাবদ্ধ হৈ ৰ'ব। জ্ঞান-বিজ্ঞানৰ চৰ্চা নহ'লে ভাষা দুৰ্বল হৈ পৰে। নতুন প্ৰজন্মক এই গুৰুত্বপূৰ্ণ দায়িত্বটি ল'বলৈ উৎসাহিত কৰিব লাগিব। তেওঁলোকেহে পাৰিব আধুনিক পৃথিৱীৰ জ্ঞানৰ ভাণ্ডাৰক নিজৰ মাতৃভাষালৈ তৰ্জমা কৰি ভাষাটোক নৱজীৱন দিবলৈ। উন্নত মানৰ অনুবাদ সাহিত্যৰ জৰিয়তে বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ অসমীয়ালৈ অনাৰ লগতে অসমীয়া সৃষ্টিৰাজিক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ কামতো নতুন প্ৰজন্মই আগভাগ ল'ব লাগিব।

অৱশ্যে, সকলো দিশতে যে কেৱল নিৰাশা আৰু অন্ধকাৰ বিৰাজ কৰিছে, তেনে নহয়। এই সংকটৰ মাজতো আশাৰ ৰেঙনি দেখা গৈছে। বৰ্তমান সময়তো এনে বহুতো সচেতন, মেধাৱী আৰু উদীয়মান লেখক, গৱেষক তথা শিল্পী ওলাইছে যিসকলে অসমীয়া ভাষাক লৈ নতুন ধৰণে চিন্তা-চৰ্চা কৰিছে। সামাজিক মাধ্যমৰ মঞ্চক ব্যৱহাৰ কৰি তেওঁলোকে অসমীয়া কবিতা, গান, সাহিত্য আৰু আলোচনাৰ প্ৰচাৰ চলাইছে। ইউটিউব, প'ডকাষ্ট, ব্লগ, ৱেবছাইট আৰু অনলাইন আলোচনীৰ জৰিয়তে অসমীয়া ভাষাই ডিজিটেল পৃথিৱীত লাহে লাহে নিজৰ স্থান উলিয়াই লৈছে। এই সৰু সৰু কিন্তু আন্তৰিক প্ৰচেষ্টাবোৰেই ভৱিষ্যতৰ আশাৰ বতৰা কঢ়িয়াই আনিছে। নতুন প্ৰজন্মৰ মাজত মাজে মাজে দেখা দিয়া জাতীয় চেতনাৰ জাগৰণেও ভাষাৰ সুৰক্ষাৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা ল'ব পাৰে। যেতিয়াই অসমৰ অস্তিত্বৰ প্ৰশ্ন আহিছে, তেতিয়াই যুৱপ্ৰজন্মই ৰাজপথলৈ ওলাই আহিছে। কিন্তু এই আৱেগক কেৱল শ্লʼগান বা সাময়িক প্ৰতিবাদতে সীমাবদ্ধ নাৰাখি গঠনমূলক কামলৈ ৰূপান্তৰিত কৰিব পাৰিলেহে ভাষাৰ ভৱিষ্যৎ উজ্জ্বল হ'ব। আৱেগতকৈ যুক্তি আৰু কৰ্মৰ প্ৰয়োজনীয়তা বৰ্তমান অধিক।

চলচ্চিত্ৰ, নাটক, টেলিভিছন ধাৰাবাহিক আদিত ব্যৱহৃত ভাষাৰ মানে দৰ্শকৰ ওপৰত, বিশেষকৈ নতুন প্ৰজন্মৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। বৰ্তমান সময়ৰ কিছুমান জনপ্ৰিয় ধাৰাবাহিক বা গীতত প্ৰায়ে নিম্ন মানৰ, গ্ৰাম্য আৰু অশুদ্ধ ভাষাৰ প্ৰয়োগ দেখা যায়, যিটো নতুন প্ৰজন্মই বিনোদনৰ সমল হিচাপে অন্ধভাৱে গ্ৰহণ কৰিছে। বিনোদনৰ নামত ভাষাটোক বিকৃত কৰাৰ বা হাস্যকৰ কৰি তোলাৰ অধিকাৰ কাৰো নাই। ইয়াৰ পৰিৱৰ্তে, যদি আমি সুস্থ, মাৰ্জিত আৰু মানসম্পন্ন বিনোদনৰ জৰিয়তে শুদ্ধ অসমীয়া ভাষাৰ প্ৰচাৰ কৰিব পাৰো, তেন্তে ই নৱপ্ৰজন্মক আকৰ্ষিত কৰিবলৈ সক্ষম হ'ব। অসমীয়া চলচ্চিত্ৰ আৰু সংগীতে বিশ্ব দৰবাৰত সমাদৰ লাভ কৰাৰ সমান্তৰালভাৱে ভাষাৰ গাম্ভীৰ্য আৰু সৌন্দৰ্যকো প্ৰচাৰ কৰা উচিত। নতুন প্ৰজন্মই তেওঁলোকৰ আইকন বা আদৰ্শ ব্যক্তিসকলক শুদ্ধ অসমীয়া কোৱা দেখিলে নিজে নিজেই অনুপ্ৰাণিত হ'ব।

মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা, ভক্তি আৰু মৰম ঘৰখনৰ পৰাই আৰম্ভ হয়। পিতৃ-মাতৃয়ে সন্তানৰ সৈতে ঘৰত অসমীয়াতে কথা পাতিব লাগিব, অসমীয়া সাধুকথা ক'ব লাগিব, কিতাপ পঢ়িবলৈ দিব লাগিব আৰু অসমীয়া সংস্কৃতিৰ শিপাৰ লগত চিনাকি কৰি দিব লাগিব। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ালেও ঘৰত সম্পূৰ্ণৰূপে অসমীয়া পৰিৱেশ এটা বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী। বহুক্ষেত্ৰত দেখা যায় যে একাংশ অভিভাৱকে সমাজত গৌৰৱেৰে কয় যে তেওঁলোকৰ সন্তানে অসমীয়া ভালকৈ ক'ব বা লিখিব নোৱাৰে। এই মানসিকতা সলনি নকৰিলে ভাষাৰ ভৱিষ্যৎ নিশ্চিতভাৱে অন্ধকাৰ। নতুন প্ৰজন্মক আমি শিকাব লাগিব যে একাধিক ভাষা জনাটো বৌদ্ধিক দক্ষতাৰ পৰিচায়ক; কিন্তু নিজৰ ভাষাক অৱজ্ঞা কৰি আন ভাষা গ্ৰহণ কৰাটো লজ্জাৰ বিষয়। বহুভাষিক দক্ষতা আজিৰ গোলকীয় যুগৰ দাবী, কিন্তু তাৰ ভেটি হ'ব লাগিব সুদৃঢ় মাতৃভাষা। নিজৰ ভাষাত দখল থাকিলেহে আন ভাষা সহজে আয়ত্ত কৰিব পাৰি, এই বৈজ্ঞানিক সত্যটো আমি উপলব্ধি কৰা উচিত।

অসমীয়া ভাষাৰ ভৱিষ্যৎ বহু পৰিমাণে নিৰ্ভৰ কৰিব আমি কিমান দূৰলৈ ভাষাটোক নমনীয় আৰু অভিযোজনক্ষম কৰি গঢ়ি তুলিব পাৰো তাৰ ওপৰত। কঠিন, তৎসম আৰু জটিল শব্দৰ পৰিৱৰ্তে সহজ-সৰল আৰু সৰ্বজনগ্ৰাহ্য ভাষা ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব লাগিব। ভাষাৰ গোড়ামি পৰিহাৰ কৰি নৱপ্ৰজন্মৰ মুখৰ ভাষাকো সাহিত্যত যথোপযুক্ত স্থান দিব লাগিব, যাতে তেওঁলোকে নিজকে ভাষাৰ সৈতে একাত্ম অনুভৱ কৰে। একে সময়তে, অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষাৰ শব্দসম্ভাৰক আদৰি লৈ অসমীয়া ভাষাক অধিক বৰ্ণাঢ্য, বিশাল আৰু শক্তিশালী কৰাৰ প্ৰয়োজন আছে। অসমৰ বিভিন্ন জনজাতিৰ ভাষা-সংস্কৃতিৰ লগত অসমীয়া ভাষাৰ সমন্বয় সাধন হ'লেহে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া শক্তিশালী হ'ব আৰু ভাষাৰ ভেটি মজবুত হ'ব। নতুন প্ৰজন্মই এই সমন্বয়ৰ সেতু নিৰ্মাণত অগ্ৰণী ভূমিকা ল'ব লাগিব। সংকীৰ্ণতাৰ পৰিৱৰ্তে উদাৰতাৰে ভাষাটোক আগুৱাই নিব লাগিব।

ভাষাৰ সংকট কেৱল অসমতেই হোৱা নাই, বিশ্বৰ বহুতো সৰু সৰু ভাষা আজি একেই সংকটৰ সন্মুখীন হৈছে। কিন্তু যিবোৰ জাতিয়ে সময়ৰ লগত নিজকে সলাইছে, প্ৰযুক্তিৰ ব্যৱহাৰ কৰিছে আৰু নৱপ্ৰজন্মক ভাষাৰ প্ৰতি দায়বদ্ধ কৰি তুলিছে, সেইবোৰ ভাষা আজিও সগৌৰৱে জীয়াই আছে। আমাৰ নৱপ্ৰজন্মৰ মাজত মেধাৰ অভাৱ নাই, অভাৱ আছে কেৱল সঠিক দিকদৰ্শন আৰু ইচ্ছাশক্তিৰ। তেওঁলোকে বুজিব লাগিব যে ভাষা হেৰুৱালে আমি আমাৰ সকলো হেৰুৱাম- আমাৰ ইতিহাস, আমাৰ সাহিত্য, আমাৰ পৰিচয়। ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তা আছে; কিন্তু ই আমাৰ মাতৃভাষাৰ বিকল্প কেতিয়াও হ'ব নোৱাৰে। আমি বিশ্বৰ লগত প্ৰতিযোগিতা কৰিম, কিন্তু আমাৰ নিজস্বতা বিসৰ্জন দি নহয়।

সামৰণিত গভীৰ প্ৰত্যয়েৰে ক'ব পাৰি যে নতুন প্ৰজন্ম আৰু অসমীয়া ভাষাৰ ভৱিষ্যৎ এটা আনটোৰ পৰিপূৰক; ইহঁতক পৃথক কৰি চাব নোৱাৰি। নতুন প্ৰজন্ম অবিহনে ভাষাৰ কোনো ভৱিষ্যৎ নাই আৰু ভাষা অবিহনে নতুন প্ৰজন্মৰ কোনো সাংস্কৃতিক শিপা নাই। সংকট আছে, প্ৰত্যাহ্বান আছে, পথ কণ্টকাকীৰ্ণ; কিন্তু তাৰ মাজতো সম্ভাৱনাৰ নতুন বেলি উদয় হোৱাৰ আশা আছে। কেৱল আৱেগিক বক্তৃতা বা বাতৰি কাকতত প্ৰবন্ধ লিখিলেই ভাষা ৰক্ষা নপৰে, ইয়াৰ বাবে লাগিব এক বাস্তৱসন্মত, বিজ্ঞানসন্মত আৰু দীৰ্ঘম্যাদী কাৰ্যপন্থা। শিক্ষা, সাহিত্য, প্ৰযুক্তি, অৰ্থনীতি, প্ৰশাসন আৰু দৈনন্দিন জীৱনত অসমীয়া ভাষাৰ প্ৰয়োগ নিশ্চিত কৰিব লাগিব। নৱপ্ৰজন্মই হৃদয়ংগম কৰিব লাগিব যে প্ৰকৃত বিশ্বনাগৰিক হ'বলৈ হ'লে প্ৰথমে এজন স্বাভিমানী অসমীয়া হোৱাটো জৰুৰী। নিজৰ ভাষাক অৱহেলা কৰি, নিজৰ শিপাক অস্বীকাৰ কৰি কোনেও বিশ্বৰ বুকুত মূৰ তুলি থিয় দিব নোৱাৰে। সেয়েহে, আহক আমি সকলোৱে মিলি এক সুস্থ পৰিৱেশ গঢ়ি তোলো, য'ত আমাৰ নতুন প্ৰজন্মই গৌৰৱেৰে বুকু ফিন্দাই ক'ব পাৰিব— 'মোৰ ভাষা, মোৰ পৰিচয় আৰু মোৰ স্বাভিমান।' এই স্বাভিমান, সচেতনতা আৰু নিৰলস প্ৰচেষ্টাই অসমীয়া ভাষাক অনাদি কাললৈ জীয়াই ৰাখিব। আমাৰ ভাষাৰ ভৱিষ্যৎ আমাৰ নতুন প্ৰজন্মৰ হাততেই সুৰক্ষিত হৈ থাকিব বুলি আমি গভীৰভাৱে আশাবাদী আৰু এই আশাই আমাক আগুৱাই যোৱাৰ শক্তি প্ৰদান কৰিব। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# নৱেম্বৰৰ ভিতৰত ক্ষতিগ্ৰস্তক আৰ্থিক সাহাৰ্য

পৰিয়াল উপকৃত হ'ব। উল্লেখ্য যে ইতিমধ্যে 'অৰুণোদয়' আঁচনিৰ অধীনত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ হিতাধিকাৰীসকললৈ ২,৫০০ টকাকৈ ধন মুকলি কৰাৰ পিছত যোৱা ৪ আগষ্টত বানপীড়িত ৬৪,৮৯১ টা পৰিয়াললৈ ১৫ হাজাৰ টকাকৈ সৰ্বমুঠ ৯৭.৩৪ কোটি টকাৰ আৰ্থিক সাহায্য ডিবিটিযোগে হস্তান্তৰ কৰা হৈছিল। ইয়াৰে চৰাইদেউ জিলাৰ ১৩,৯৯৭ টা, শিৱসাগৰ জিলাৰ ৪৩,৯০৯ টা, যোৰহাট জিলাৰ ৫,৩৮৮ টা আৰু গোলাঘাট জিলাৰ ১,৫৯৭ টা পৰিয়ালক সামৰি লোৱা হৈছিল। এই পদক্ষেপসমূহৰ জৰিয়তে ৰাজ্য চৰকাৰে বৰ্তমানলৈকে সৰ্বমুঠ ৯৬,৮৪২ টা বানপীড়িত পৰিয়ালক সৰ্বমুঠ ১৪৬.২৬ কোটি টকা প্ৰদান কৰিলে। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম চৰকাৰে শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানপীড়িত লোকসকলক স্বাভাৱিক জীৱনলৈ ওভোতাই অনাৰ বাবে প্ৰয়োজনীয় সকলো সহায় অব্যাহত ৰাখিছে। তেওঁ কয় যে হস্তান্তৰ কৰা পুঁজিৰ জৰিয়তে অন্তৰ্বৰ্তীকালীন সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে। অৱশ্যে শিৱসাগৰ জিলাৰ প্ৰায় ৩ হাজাৰ বানপীড়িত পৰিয়ালৰ তথ্য-পাতিৰ পৰীক্ষা-নিৰীক্ষা এতিয়াও অব্যাহত আছে। এই প্ৰক্ৰিয়া অন্ত হোৱাৰ পিছত যোগ্য পৰিয়ালসমূহলৈ অন্তৰ্বৰ্তীকালীন সাহায্যৰ ধনৰাশি হস্তান্তৰ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে বানত হোৱা ক্ষয়-ক্ষতিৰ সঠিক তথ্য সংগ্ৰহৰ বাবে জৰীপৰ কাম ইতিমধ্যে আৰম্ভকৰা হৈছে আৰু এই কাৰ্যত ১,১৪৪ গৰাকী শিক্ষক নিয়োজিত হৈ আছে। জৰীপকাৰী দলসমূহৰ তথ্যৰ ভিত্তিত জিলা চাৰিখনৰ পৰা বৰ্তমানলৈকে বান-বিধ্বস্ত ২,৬৮১ টা গৃহ, ১৮,৮৮৭ টা গোহালি, প্ৰায় ৪১ হাজাৰ হস্ততাঁতৰ সামগ্ৰী আৰু ৫.৯৮ লাখৰো অধিক পশুধনৰ তথ্য লাভ কৰা হৈছে। কৃষি আৰু মীনখণ্ডত হোৱা ক্ষয়-ক্ষতিৰো জৰীপ অব্যাহত থকাৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে বৰ্তমানলৈকে ৯৯,২৫৬ গৰাকী কৃষকৰ শস্য নষ্ট হোৱাৰ তথ্য পোৱা গৈছে। বৰ্তমানে চলি থকা জৰীপ আগষ্ট মাহৰ ভিতৰতে সম্পূৰ্ণ হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জৰীপত লাভ কৰা তথ্য বানাক্ৰান্ত লোকে জানিব পৰাকৈ ৱেবছাইটযোগে উপলব্ধ কৰা হ'ব। বানপীড়িতৰ ওজৰ-আপত্তিৰ ভিত্তিত পুনৰ ছেপ্টেম্বৰৰ আৰম্ভণিৰ পৰা ১০-১১ ছেপ্টেম্বৰলৈ দ্বিতীয় পৰ্যায়ৰ জৰীপ চলোৱা হ'ব তথা ক্ষয়-ক্ষতিৰ চূড়ান্ত তালিকা ১৫ ছেপ্টেম্বৰৰ ভিতৰত প্ৰকাশ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে তাৰ পিছতো কোনো ওজৰ-আপত্তি লাভ কৰিলে পুনৰ জৰীপ কৰোৱা হ'ব। ড° শৰ্মাই কয় যে নৱেম্বৰৰ ভিতৰত ৰাজ্য চৰকাৰে দ্ৰুত জৰীপৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ আৰ্থিক সাহায্য ডিবিটিযোগে হস্তান্তৰ কৰিবলৈ লক্ষ্য লৈছে। বৰ্তমানলৈকে প্ৰায় ৪৮০ কোটি টকাৰ ক্ষয়-ক্ষতিৰ তথ্য লাভ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। বানত ক্ষতিগ্ৰস্ত তথা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যোগ্য হিতাধিকাৰীসকলৰ বাবে গৃহ নিৰ্মাণৰ বাবেও ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বানত ক্ষতিগ্ৰস্ত বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ, নামঘৰ আদিৰ মেৰামতিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ইতিমধ্যে লোৱা হৈছে। বানত নিহত হোৱা লোকৰ আত্মীয়লৈ ৯ লাখ টকাৰ সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া অব্যাহত আছে বুলি মন্তব্য কৰি তেওঁ কয় যে ইতিমধ্যে বেংকৰ ঋণৰ কিস্তি পৰিশোধৰ ক্ষেত্ৰত আগবঢ়োৱা সকাহ বানপীড়িত ১,৭১২ গৰাকী লোকে গ্ৰহণ কৰিছে। অহা ৩১ আগষ্টলৈ এই সুবিধা গ্ৰহণৰ বাবে আবেদন কৰিব পৰা যাব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে বানত ক্ষতিগ্ৰস্ত লোকৰ বীমাৰ দাবী নিষ্পত্তিৰ ক্ষেত্ৰত বৰ্তমানলৈকে ১,৫৯৮ গৰাকী লোকে আবেদন কৰিছে আৰু ইয়াৰে ১৭০ টা দাবী নিষ্পত্তি হৈছে। উক্ত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, মহিলা আৰু শিশু উন্নয়ন আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী সুশান্ত বৰগোঁহাই, হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিত্ত আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মুখ্য সচিব এল. এছ চাংছন প্ৰমুখ্যে বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

# অসমৰ মৃগাংক বৰ্মনক বিজেপিৰ ৰাষ্ট্ৰীয়

সম্পাদক হিচাপে শিৱপ্ৰকাশ আৰু সৌদান সিংক দায়িত্ব দিয়া হৈছে। আনহাতে, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক হিচাপে বিনোদ তাৱড়ে, সুনীল বনচল, বিপ্লৱ কুমাৰ দেৱ, স্মৃতি ইৰাণী, ডাঃ সতীশ পুনিয়া, গজেন্দ্ৰ পেটেল, হৰিশ দ্বিবেদী আৰু সঞ্জয় ভাটিয়াক দায়িত্ব অৰ্পণ কৰা হৈছে। ৰাষ্ট্ৰীয় সম্পাদক হিচাপে কবিতা পাটিদাৰ, কে. সুৰেন্দ্ৰন, ডাঃ ভোলা সিং, ডাঃ প্ৰদীপ বৰ্মা, জগদীশ ঈশ্বৰভাই পেটেল, ডাঃ সন্দীপ পাঠক, ফাংগনন কোন্যাক, সংগীতা যাদৱ, অনিল এণ্টনী, ডাঃ এম. বেংকটেশন, মনোজ টিগ্গা, সিদ্ধাৰ্থ শম্ভু, ডাঃ স্বদেশ সিং, মৃগাংক বৰ্মন, ৰোহন গুপ্তা আৰু জয় প্ৰকাশক দায়িত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় কোষাধ্যক্ষ হিচাপে পীয়ুষ গোৱেল আৰু ৰাষ্ট্ৰীয় সহ-কোষাধ্যক্ষ হিচাপে ৰাজেশ মংগলক নিযুক্তি দিয়া হৈছে। ৰাষ্ট্ৰীয় কাৰ্যালয় প্ৰভাৰী হিচাপে তৰুণ চুঘ আৰু ৰাষ্ট্ৰীয় কাৰ্যালয় মন্ত্ৰী হিচাপে মহেন্দ্ৰ পাণ্ডেক দায়িত্ব অৰ্পণ কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে নৰ্থ-ইষ্ট সমন্বয়ক হিচাপে ডাঃ সম্বিত পাত্ৰ আৰু সহ-সমন্বয়ক হিচাপে ৰাজীৱ বব্বৰক দায়িত্ব দিয়া হৈছে। প্ৰকোষ্ঠ সংকুল সমন্বয়ক হিচাপে বিষ্ণু দত্ত শৰ্মা আৰু সহ-সমন্বয়ক হিচাপে ঋতুৰাজ সিনহা আৰু বিষ্ণু বৰ্ধন ৰেড্ডীক দায়িত্ব অৰ্পণ কৰা হৈছে। দলৰ বিভিন্ন মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে যুৱ মৰ্চাত ডাঃ হেমাংগ যোশী, মহিলা মৰ্চাত ৰূপ কুমাৰী চৌধুৰী, অনান্য পিছপৰা মৰ্চাত অমৰপাল মৌৰ্য, কিষাণ মৰ্চাত বংশীলাল গুজ্জৰ, অনুসূচিত জাতি মৰ্চাত শিৰেশ কুমাৰ ৰাম, অনুসূচিত জনজাতি মৰ্চাত ডাঃ মন্নালাল ৰাৱত আৰু সংখ্যালঘু মৰ্চাত কুঁৱৰ বাছিদ আলীক দায়িত্ব দিয়া হৈছে। একেদৰে, মিডিয়া সমন্বয়ক হিচাপে অনিল বালুনী আৰু মিডিয়া সহ-সমন্বয়ক হিচাপে আশীষ উপাধ্যায়, প্ৰদীপ ভাণ্ডাৰী আৰু সিদ্ধাৰ্থ যাদৱক দায়িত্ব দিয়া হৈছে। ছ'চিয়েল মিডিয়া সমন্বয়ক হিচাপে দীপক মুংকেক আৰু সহ-সমন্বয়ক হিচাপে প্ৰীতি গান্ধী, শিৱানন্দ দ্বিবেদী, আলোক ভট্ট আৰু অৰুণ যাদৱক দায়িত্ব অৰ্পণ কৰা হৈছে। অসমৰ পৰা মৃগাংক বৰ্মনক বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰদান কৰাটো অসম বিজেপিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাৰ বাবে উৎসাহ আৰু গৌৰৱৰ বিষয়। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আশা প্ৰকাশ কৰে যে, নতুন দায়িত্বত বৰ্মনে নিজৰ সাংগঠনিক অভিজ্ঞতা, দক্ষতা আৰু নিষ্ঠাৰে দলক অধিক শক্তিশালী কৰাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ সাংগঠনিক ভূমিকা অধিক সুদৃঢ় কৰিব। অসমৰ পৰা মৃগাংক বৰ্মনক ৰাষ্ট্ৰীয় সম্পাদক হিচাপে গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰদান কৰাৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বক অসম প্ৰদেশ বিজেপিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মৃগাংক বৰ্মনলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। নতুন দায়িত্বত তেওঁৰ সফলতা কামনা কৰি অসম বিজেপিৰ সাংগঠনিক শক্তি ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক সুদৃঢ় হ'ব বুলি ৰাজ্যিক সভাপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

# স্বাধীনতা দিৱস উপলক্ষে বালিসত্ৰত চিত্ৰাংকণ প্ৰতিযোগিতা

**ৰঙিয়া ঃ** ৰঙিয়া সমজিলাৰ কওঁৱা ৰাজহ চক্ৰৰ অন্তৰ্গত বালিসত্ৰৰ আৰ্থ-সামাজিক বিকাশৰ লগতে সমাজ, সাহিত্য-সংস্কৃতিৰ ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা অনুষ্ঠান বালিসত্ৰ আঞ্চলিক সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত স্বাধীনতা দিৱস উপলক্ষে যোৱা ১৫ আগষ্টত বালিসত্ৰ শিশু বিদ্যালয় প্ৰাংগণত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়।



শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন উদ্বোধন কৰে শিমলুৱা মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক দিগন্ত কুমাৰে। বালিসত্ৰ আঞ্চলিক সংস্কৃতি সুৰক্ষা মঞ্চৰ সাধাৰণ সম্পাদক সুশীল চন্দ্ৰ ডেকাই আঁত ধৰা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত অতিথিৰূপে ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আমিনুল হক, যুৱ সমাজসেৱক অনিমেষ গোস্বামী, বালিসত্ৰ শিশু বিদ্যালয়ৰ সহকাৰী শিক্ষক হিমাংশু দাস আৰু মনালিছা আৰ্ট স্কুলৰ প্ৰশিক্ষক মৃণাল নাথ উপস্থিত থাকে। বিগত বছৰৰ দৰে এইবেলিও অনুষ্ঠিত হ'বলগীয়া কাতি বিহু উদ্যাপনৰ মুকলি সভাত চিত্ৰাংকণ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত শিক্ষাৰ্থীসকলক বঁটা বিতৰণৰ লগতে অংশগ্ৰহণকাৰীক প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব বুলি সম্পাদকে জনাইছে।

# স্বাধীনতা দিৱসৰ পেৰেডত প্ৰথম বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়



**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী জিলা প্ৰশাসনৰ উদ্যোগত পাঠশালাস্থিত বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ অংশস্বৰূপে অনুষ্ঠিত পেৰেড প্ৰতিযোগিতাত বজালী উচ্চতক মাধ্যমিক বিদ্যালয়ৰ NCC 7th Assamৰ দলে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাখনত সুন্দৰ প্ৰদৰ্শনেৰে বজালী উচ্চতৰ মাধ্যমিকৰ NCCৰে দলটোৱে প্ৰথম স্থান লাভ কৰি পুৰস্কাৰৰ লগতে চলন্ত ট্ৰফী লাভ কৰে। অনুষ্ঠানত অন্যত দলটোক পুৰস্কাৰ আৰু ট্ৰফী প্ৰদান কৰে বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰায়ে। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জন কুমাৰ চক্ৰৱৰ্তীয়ে বিদ্যালয়খনৰ NCC দলটোৰ লগতে দায়িত্বৰাহী শিক্ষক জিতু দাস, NCC ৰ প্ৰশিক্ষক সীমান্ত দাসকে ধৰি শিক্ষক-শিক্ষয়িত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

# মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুঁজিলৈ জিএমচিএইচৰ ৭.৭৫ লাখ টকা

**অসম ভূমি সেৱা, ৰঙিয়া ঃ** মুখ্যমন্ত্ৰী সাহাৰ্য পুঁজিলৈ ৭ লাখ ৭৫ হাজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ে। জিএমচিএইচৰ অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱা, অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰী আৰু স্নায়ু শল্য বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ মৃণাল ভূঞাৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এই সাহাৰ্যৰ চেক প্ৰদান কৰে।



উজনি অসমৰ বানপীড়িত ৰাইজৰ দুৰ্দশাৰ সময়ত জিএমচিএইচৰ এই মানৱীয় পদক্ষেপে সামাজিক দায়বদ্ধতা আৰু সহমৰ্মিতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। সংকটৰ সময়ত দুৰ্যোগপীড়িত লোকসকলৰ কাষত থিয় দিয়াৰ লক্ষ্যৰে আগবঢ়োৱা এই আৰ্থিক সহায়ে পুনৰ নিৰ্মাণত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# চলিত বৰ্ষত পদোন্নতি, '২৭ত নতুন

মুখ্যমন্ত্ৰী কৃষক উৎকৰ্ষ বঁটা প্ৰৱৰ্তন কৰিব বুলিও ঘোষণা কৰে। পাঁচ বছৰত ১০ হাজাৰ যুৱক-যুৱতীক এই বঁটা প্ৰদান কৰা হ'ব। আনহাতে, কোনো চৰকাৰী কাৰ্যালয়ত যাতে কোনো ফাইল পৰি নাথাকে তাৰ বাবে সকলো বিভাগৰ কাম-কাজ ক্ষিপ্ৰতাৰে আগবঢ়াই নিয়া হ'ব বুলিও সংবাদমেলত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

## বৰ্ষীয়ান ৰাজনীতিক হেমেন দাসৰ স্বাস্থ্যৰ বুজ ল'লে মন্ত্ৰী অশোক সিংহলে

# জিএমচিএইচৰ আধুনিকীকৰণৰ পৰিকল্পনা চৰকাৰৰ

**ডিব্ৰুগড় ঃ** অসমবাসীক উন্নত, আধুনিক আৰু বিশ্বমানৰ স্বাস্থ্যসেৱা প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে স্বাস্থ্য আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত নিৰন্তৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই লক্ষ্যৰ অংশ হিচাপে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নতুন ভৱনৰ অত্যাধুনিক আৰু আকৰ্ষণীয় ডিজাইন সন্দৰ্ভত যোৱা সোমবাৰে পদ্মভূষণ বঁটাপ্ৰাপ্ত বিশিষ্ট স্থপতিবিদ হাফিজ কণ্ট্ৰেক্টৰ, চিকিৎসালয়খনৰ প্ৰশাসনিক বিষয়াবৰ্গ আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ সৈতে স্বাস্থ্য, পৰিয়াল কল্যাণ আৰু চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে এখন গঠনমূলক বৈঠকত মিলিত হয়। বৈঠকত নতুন ভৱনটোৰ ডিজাইন আৰু আধুনিক চিকিৎসা আন্তঃগাঁথনিৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যবাসীৰ বাবে উন্নত চিকিৎসা সেৱা আৰু বিশ্বমানৰ স্বাস্থ্য আন্তঃগাঁথনি নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা অব্যাহত থাকিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰী অশোক সিংহলে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চিকিৎসাধীন হৈ থকা চি পি আই (এম)ৰ বৰ্ষীয়ান ৰাজনীতিক তথা সৰভোগ সমষ্টিৰ প্ৰাক্তন বিধায়ক হেমেন দাসক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যৰ বুজ লয়। ভৰিত আঘাতপ্ৰাপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত উন্নত চিকিৎসাৰ বাবে হেমেন দাসক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষৰ সৈতে তেওঁৰ স্বাস্থ্য সম্পৰ্কে বিতংভাৱে আলোচনা কৰি প্ৰয়োজনীয় আৰু উপযুক্ত চিকিৎসা প্ৰদানৰ লগতে পৰ্যাপ্ত পৰিচৰ্যা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই ইতিমধ্যে তেওঁৰ প্ৰয়োজনীয় অস্ত্ৰোপচাৰ সুকলমে সম্পন্ন হোৱা বুলি মন্ত্ৰীগৰাকীক অৱগত কৰে। মন্ত্ৰী অশোক সিংহলে বৰ্ষীয়ান ৰাজনীতিকগৰাকীৰ আশু আৰোগ্য কামনা কৰে।



## কলিতা আলপাইন জনগোষ্ঠী সন্মিলন

## শিৱসাগৰত সাহায্য বিতৰণ



**ৰঙিয়া ঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নিৰ্দেশ মৰ্মে ৰঙিয়া জিলা সমিতিৰ উদ্যোগত যোৱা দেওবাৰে বানপীড়িত শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। ৰঙিয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কুলদীপ লহকৰৰ নেতৃত্বত যোৱা সজাতি দলটোৱে খাটপথাৰ, ঢেকেৰী গাঁও, ৰুদ্ৰসাগৰ, নিমাইজান, মানকটা, বেতবাৰী কাকতিগাঁও, মগৰাহাট, জয়সাগৰ আৰু পাণবেচা আদি অঞ্চলৰ দুশৰো অধিক বানপীড়িত পৰিয়ালক আৰ্থিক সাহায্য আৰু নিত্য ব্যৱহাৰ্য সামগ্ৰী প্ৰদান কৰে। সজাতি দলটোত সাংগঠনিক সম্পাদক দ্বীপজ্যোতি পাটোৱাৰী, বুঢ়াগোহাঁই আঞ্চলিক সমিতিৰ সম্পাদক প্ৰদীপ কলিতা আৰু সদস্য জোন কলিতা উপস্থিত থাকে। শিৱসাগৰ জিলা সমিতিৰ সভাপতি, সাধাৰণ সম্পাদকসহ বিষয়ববীয়াসকলেও এই সাহায্য অভিযানত সহযোগিতা আগবঢ়ায়। এই মানৱীয় পদক্ষেপ সফল কৰি তোলাত সহায়-সহযোগিতা আগবঢ়োৱা সকলো সদাশয় ব্যক্তিলৈ সংগঠনটোৱে কৃতজ্ঞতা জ্ঞাপন কৰে।

## হাজোৰ জয় শ্ৰীৰাম মন্দিৰ নিৰ্মাণ সমিতি

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২১ হাজাৰ টকাৰ চেক



**অসম ভূমি সেৱা, হাজো ঃ** ৰাজ্যত অব্যাহত থকা বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বানপীড়িত ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে বিভিন্ন দল-সংগঠনে সহায়ৰ হাত আগবঢ়াইছে। ইয়াৰ অংশস্বৰূপে হাজোৰ জয় শ্ৰীৰাম মন্দিৰ নিৰ্মাণ সমিতিৰ বিষয়ববীয়াসকলে বানপীড়িত ৰাইজক সহযোগিতা আগঢ়োৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২১,০০০ টকাৰ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। সমিতিৰ কৰ্মকৰ্তাসকলে এই সাহায্যৰ চেকখন হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ হাতত অৰ্পণ কৰে। বানপীড়িত ৰাইজৰ এই দুৰ্যোগৰ সময়ত মানৱীয় দায়বদ্ধতাৰ পৰিচয় দি জয় শ্ৰীৰাম মন্দিৰ নিৰ্মাণ সমিতিয়ে গ্ৰহণ কৰা এই আদৰণীয় পদক্ষেপক বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ভূয়সী প্ৰশংসা কৰে। তেওঁ লগতে আয়োজকসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে সমাজৰ প্ৰতি থকা এনে দায়বদ্ধতা আৰু জনকল্যাণমূলক কাৰ্যৰ ধাৰা ভৱিষ্যতেও অব্যাহত থাকিব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিধায়কগৰাকীয়ে লগতে উল্লেখ কৰে যে চৰকাৰী প্ৰচেষ্টাৰ পাশাপাশি বিভিন্ন সামাজিক অনুষ্ঠান আৰু সজাগ নাগৰিকৰ সহযোগিতাই বানাক্ৰান্ত লোকসকলক পুনৰ সংস্থাপন আৰু সাহায্য প্ৰদানৰ কামত বিশেষভাৱে সাহায্য কৰিব। এই চেক প্ৰদান অনুষ্ঠানত ৰাম মন্দিৰ নিৰ্মাণ সমিতিৰ সভাপতি ৰমণী মালাকাৰ, উপ-সভাপতি প্ৰদীপ কুমাৰ বৰা, সম্পাদক ৰূপেন দাস, প্ৰচাৰ সম্পাদক ৰুবুল দাস, বিউটী মালাকাৰকে ধৰি বিষয়ববীয়াসকল উপস্থিত থাকে।

# পুঠিমাৰী অম্বিকাগিৰী হাইস্কুলৰ বিজ্ঞানাগাৰ উদ্বোধন ৰঞ্জিত দাসৰ



**অসম ভূমি সেৱা, পাঠশালা ঃ** অম্বিকাগিৰী ৰায়চৌধুৰীৰ নামেৰে নামাংকিত বজালী জিলাৰ ভৱানীপুৰ-সৰভোগ সমষ্টিৰ অন্তৰ্গত পুঠিমাৰী অম্বিকাগিৰী হাইস্কুলৰ নৱনিৰ্মিত গণিত আৰু বিজ্ঞানৰ সংহত বিজ্ঞানাগাৰটো যোৱা সোমবাৰে উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰীসকললৈ উছৰ্গা কৰে অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে। ভাষণ প্ৰসংগত বিধায়ক দাসে কয় যে ১৯৬৫ চনতে স্থাপিত পুঠিমাৰী এম ই স্কুল আৰু ১৯৮২ চনত পুঠিমাৰী অম্বিকাগিৰী হাইস্কুল স্থাপনৰ জৰিয়তে বৃহত্তৰ পুঠিমাৰী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা লাভ কৰি আহিছে। সিদিনা উদ্বোধন কৰা শিক্ষানুষ্ঠানখনৰ নৱনিৰ্মিত গণিত আৰু বিজ্ঞানৰ সংহত বিজ্ঞানাগাৰটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ বৈজ্ঞানিক চিন্তা-চৰ্চা আৰু অনুসন্ধিৎসু মনক নতুন মাত্ৰা প্ৰদান কৰিব বুলি মোৰ দৃঢ় বিশ্বাস। বিধায়ক তথা অধ্যক্ষগৰাকীয়ে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বিদ্যালয়খনক উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে গঢ়ি তোলাৰ কথা উল্লেখ কৰি অহা তিনিমাহৰ ভিতৰত অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীৰ জৰিয়তে বিদ্যালয়খনত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান আৰম্ভ কৰাৰ পৰিকল্পনাৰ কথা ব্যক্ত কৰে। এই সন্দৰ্ভত তৎকালীন ব্যৱস্থা গ্ৰহণৰ বাবে বিদ্যালয় পৰিচালনা সমিতিৰ জৰিয়তে বৰপেটা-বজালী জিলাৰ বিদ্যালয় পৰিদৰ্শকক যাৱতীয় পদক্ষেপ ল'বলৈ আহ্বান জনায়। মত বিনিময় অনুষ্ঠানতে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলেও মেট্ৰিক উত্তীৰ্ণ হৈ এই বিদ্যালয়খনতেই উচ্চতৰ মাধ্যমিকৰ শিক্ষা গ্ৰহণ কৰিব বুলি অৱগত কৰে। বিদ্যালয়খনৰ ইংৰাজী বিষয়ৰ শিক্ষক প্ৰসেনজিৎ কলিতাই আঁত ধৰা অনুষ্ঠানত বজালী জিলা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কিশোৰ ৰাজবংশী, ওদালগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰী জুনুমণি মেধি, অভিযন্তা নৱ কুমাৰ শৰ্মা, বিদ্যালয়খনৰ প্ৰধান শিক্ষক যোগেন চন্দ্ৰ পাঠক, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফুকন চন্দ্ৰ তালুকদাৰ, অৱসৰপ্ৰাপ্ত শিক্ষক নিৰঞ্জন চৌধুৰী, অনিল চন্দ্ৰ দাসকে প্ৰমুখ্য কৰি শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, স্থানীয় ৰাইজ উপস্থিত থাকে।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah